

কবি আৰু কবিতাৰ
অনন্ত যাত্ৰা

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

## ষষ্ঠ খণ্ড

প্ৰস্তুতি
সংস্কাৰধ্বনি ফাউণ্ডেচন
গুৱাহাটী, অসম

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

প্ৰস্তুতি

সংস্কাৰধ্বনি ফাউণ্ডেচন

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com

**Sahasra kobir Sahasra kobita**

– a collection of Assamese poems by Sanskardhwani Foundation.
Guwahati, Assam
Regn No. RS/KAM(M)/263/U/152 OF 2019-2020
Website : www.sanskardhwani.org, E-mail-sanskardhwani@gmail.com

©

**প্ৰথম প্ৰকাশ ঃ মে’, ২০২২**

**প্ৰচ্ছদ ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

**ই-মুদ্ৰক ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

**পৰিকল্পনা আৰু পৰিচালনা**
হিতেশ গোস্বামী

**পৰিচালনা সহযোগী**
গুনীন ফুকন

**বিপণন**
স্পন্দন বৰঠাকুৰ

**পৃষ্ঠপোষক**
হিতেশ গোস্বামী

সংস্কাৰধ্বনি ফাউণ্ডেচন
এটি পঞ্জীয়নভুক্ত বেচৰকাৰী সামাজিক অনুষ্ঠান
**E-mail**-sanskardhwani@gmail.com
**Website :** www.sanskardhwani.org

সংস্কাৰধ্বনি ফাউণ্ডেচন
*Sanskardhwani Foundation*

**সম্পাদনা সমিতি**

## মুখ্য সম্পাদক
হিতেশ গোস্বামী

## কাৰ্যবাহী সম্পাদক
উৎপল গোস্বামী
ড° ভাৰ্গৱজ্যোতি চহৰীয়া

## সন্মানীয় সম্পাদক মণ্ডলী
জোন বৰা
এছ আহমেদ
ৰঞ্জনা পাঠক
চবিন চন্দ্ৰ নাথ
ব্ৰজেন কাকতি
ঊষামনি শইকীয়া
মৌচুমী ৰাজখোৱা
আৰিফা হুছেইন বৰা

**অলংকৰণ**
হিতেশ গোস্বামী

# সহস্ৰ কবিৰ সহস্ৰ কবিতা গ্ৰন্থখনৰ সম্পাদনা সমিতিলৈ আমন্ত্ৰিত

## সন্মানীয় সহঃ সম্পাদক মণ্ডলী

দৈব্যা নাথ
হিৰণ্য লয়
পৰিহাৰ শৰ্মা
ৰাহিদা খানম
জুৰিমনি মুদৈ
কমলাক্ষী বৰা
ৰূপা বৰা দাস
ৰিপুঞ্জয় বৰুৱা
মনোৰঞ্জন বৰা
উত্তম কুমাৰ দত্ত
গৌতম মালাকাৰ
পুলেনৰাজ ডেকা
কাজললতা মেধি
অশ্বিনী তালুকদাৰ
পল্লৱী গগৈ (ইনি)
মানসী বৰুৱা দেৱী
ডালিমী কুলাধিপতি
কিশোৰকুমাৰ কলিতা
বৰ্ণালী ডেকা বৰঠাকুৰ
প্ৰতিভা ভাগৱতী শৰ্মা

## সন্মানীয় সমন্বয়ক মণ্ডলী

অঞ্জু দেৱী
মিণ্টু দাস
প্ৰণৱ দাস
লিলি বৈশ্য
দিপলু শৰ্মা
মৰমী মুদৈ
শিখা চৌধুৰী
সুজাতা মেধি
বশিষ্ঠ কলিতা
উপেন ডেকা
দীপা শইকীয়া
হিৰণ্য মজুমদাৰ
জাহাঙ্গীৰ আলম
ৰিংকু দেৱী বৰ্মন
চোনিয়া মুক্তিয়াৰ
মামনি পাটোৱাৰী
হৰমোহন কলিতা
পংখীকাজল কায়স্থ
পলৰিকা চৌধুৰী মহন্ত
সংগীতা শইকীয়া পাঠক

**অলংকৰণ**

**সহযোগী সম্পাদক**

অঞ্জন ডেকা
চিণ্টুমনি শইকীয়া

# সূচীপত্ৰ

**নিয়ৰ সিক্ত এটা ৰাতি** / দুলুমণি শইকীয়া ১৫
**পাইছা নে চিনি ?** / জয়প্ৰকাশ ডেকা বৰুৱা ১৬
**দুখৰ কলিজাত আশাৰ শুভ্ৰ শব্দ** / নিজৰা জান্নাত ১৭
**বিষাদ বন্যা** / ৰীতা ফুকন ১৮
**ভোক, ভোগ আৰু ভোগালী** / ঝৰ্ণা দত্ত ১৯
**মৃত্যু বিভীষিকা ক'ৰোনা** / গীতামণি দাস পাটৰ ২০
**স্বাধীনতা** / নীলমণি বৰা ২১
**জাবৰৰ দ'মত সপোন বিচৰা সেই ছোৱালীজনী...** / সোণতৰা দাস ২২
**মোৰ বাবে তুমি** / অনুপ চাওদাং বৰুৱা ২৩
**শেষ যাত্ৰা** / জোন হাজৰিকা ২৪
**কবিতা তুমি** / দীপেন কুমাৰ কাকতি ২৬
**জীৱনৰ অনুভৱ** / গীতালি হাজৰিকা ২৭
**সময় আৰু সমীকৰণ** / নিবিৰ নয়ন ২৮
**কলংপৰীয়া কবি নৱকান্ত** / কল্পনা কুমাৰী দাস ২৯
**ঢৌ .. জাহাজ আৰু নাৱিকৰ সাধু** / ভাস্কৰ জ্যোতি বৰা ৩০
**নাৰী তুমি পূৰ্ণাকাশ** / পাৰুল বৰুৱা ৩১
**দুষ্ট ফাগুন** / নিলোৎপল বড়া ৩২
**কেনে আছা তুমি** / কৃষ্ণা নেওগ ৩৩
**আশাৰ গজালি** / আবু চুফিয়ান ৩৪
**সোণাৰু মোৰ সমাধিত সৰা**/ উৎপল শিৰম ৩৫
**পগলা কুকুৰ** / মতিউৰ ৰহমান ৩৭
**ফাগুনৰ অইনিঃতম** / যোগেশ্বৰ লাগাচু ৩৮
**মই অসমীয়া** / দেৱৰাজ কলিতা ৩৯
**মৃত্যুদূতৰ আতংক** / গগন কলিতা ৪০
**জাগা চৰুৱা জাগা** / আজম আলী পৰামানিক ৪১
**হে নাৰী তুমি অনন্যা** / বাসন্তী দাস ৪২
**দুখৰ ৰজনীত সুখৰ পুৰতি বিচাৰি** / স্বৰ্গজ্যোতি চেতিয়া ৪৩
**জীৱন অধ্যায়** / প্ৰণৱ মৰাং ৪৪
**ভাল পাওঁ বুলিয়েই আই তোক** / কুঞ্জলতা দাস ৪৫
**পাণিতে বাজে বীণা** / দিলদাৰ হুছেইন ৪৬
**প্ৰাচীৰ** / উৰ্বশী গগৈ ৪৮
**শেষৰো থাকে আৰম্ভণি** / অনামিকা শইকীয়া ৪৯
**আকাশ** / ৰুমী কলিতা দত্ত ৫০
**টোপ টোপ নিয়ঁৰ** / নুৰ আলম আহমেদ ৫১
**এই মৰম তোমাৰ বাবে** / ভোগেশ্বৰ চুতীয়া ৫২
**আমি তেনেই দুখীয়া** / মিতালি গোস্বামী ৫৩
**ভালপোৱাৰ সাধু** / কৃষ্ণাময়ুৰী হাজৰিকা ৫৪
**অতীতৰ সপোন** / সাৱিত্ৰী গগৈ ৫৫
**চিন্তা** / হিমাজ্যোতি তালুকদাৰ ৫৬
**তোমাকেই যে ভাল পাওঁ** / সোনাৰাম ৰাজবংশী ৫৭
**ব'হাগৰ সজ্জা** / দীপাঞ্জলি চেতিয়া গগৈ ৫৯
**আমি শব্দৰে খেলোঁ আহা** / ময়েজ উদ্দিন আহমেদ ৬১
**স্বাধীন সত্তাৰ উচুপনি** / গীতা দাস মালাকাৰ ৬২
**কলিজা ফলা উদং জেপটো** / বুলমণি বৰি ৬৩
**বসন্তৰ আগমন** / মিতালী বৰুৱা ৬৪
**সমীৰণ তোমালৈ একলম** / সুপ্ৰিয়া গোঁহাই সোণোৱাল ৬৫
**জখলা** / পল্লৱ বৰুৱা ৬৬
**এমুঠি সুখ** / সুশান্ত দাস ৬৭
**মধ্যবিত্তৰ জীৱন** / মিতুমণি চেতিয়া ৬৮
**বসন্ত** / কবিতা তালুকদাৰ ৬৯
**ঋতুৰ ক'লাজ** / তৃষ্ণা লহকৰ ৭১
**শোক কবিতা** / প্ৰকৃতি নাজিৰ ৭২
**ঈশ্বৰ** / মনালিছা শৰ্মা ৭৩

**সাম্প্ৰতিক** / বিপুল শৰ্মা ৭৪
**বাট** / জোনালী মজুমদাৰ ৭৫
**ফাগুনৰ শেষত** / চেমিমা হুছেইন ৭৬
**প্ৰাপ্তি কণ্ঠ** / বিশ্বজিত শইকীয়া ৭৭
**গৈ থাকো ক'ৰবালে** / মধুমিতা মহন ৭৮
**পৰম্পৰা** / মলয় বৰুৱা ৭৯
**মোৰ হিয়াখন** / ডাঃ মহেশ ডেকা ৮০
**আলোকিত তোমাৰ ৰূপ** / জয়া শইকীয়া ৮২
**সোণালী আঘোণ** / যুতিকা দেৱী ৮৩
**দুঃস্বপ্ন** / বৰ্ণালী কটকী কলিতা ৮৪
**আমাৰ গৌৰৱ** / গীতা চৌধুৰী ৮৫
**শীতৰ বতৰা** / চন্দনা দেৱী ৮৬
**দেউতা** / অমিয়া গগৈ ৮৭
**সাউদৰ মালিতা** / অনুপ অসমীয়া ৮৮
**একান্ত** / ডঃ কৰবী গোস্বামী ৮৯
**হৃদয়ৰ কথকতা** / অঞ্জুমণি হাজৰিকা ৯০
**অবুজ মন** / জ্যোতিৰ্ময়ী শৰ্মা ৯১
**ব'হাগৰ প্ৰতিশ্ৰুতি** / দয়ানন্দ মহন্ত ৯২
**জাগা জাগ্ৰত জনতা জাগা** / সৰস্বতী দাস ৯৩
**আই** / ভবেশ বৈশ্য ৯৫
**সৃষ্টিৰ আদিম পাতনি** / কল্পনা নাথ ৯৬
**আত্মোপলব্ধি** / ধনেশ্বৰ মালাকাৰ ৯৭
**আলফুলে সাঁচি ৰাখিছোঁ** / দ্বিজেন দাস ৯৮
**বুকুত এবুকু শব্দৰ জুই** / স্বপ্নালী নাথ ৯৯
**জোনাকৰ সুৰ** / হেমলতা হাজৰিকা দেৱী ১০০
**সপোনৰ বালিচৰ** / দিগন্ত ৰাজবংশী ১০১
**অশ্ৰুসিক্ত নয়ন** / অনিন্দিতা নাথ ১০২
**ভাৰ** / ময়ূৰী মুকুল ১০৪
**স্বাধীন** / কবিতা দেৱী ১০৫
**মৃগতৃষ্ণা** / কনক শৰ্মা ১০৬
**প্ৰিয়ে মোৰ** / ড° ৰূপা ডেকা পাটৰ ১০৭
**ৰূপান্তৰ** / নিতুমনি দাস ১০৮
**এইখিনিতেই...** / অৰুণ কুমাৰ শৰ্মা ১০৯
**শব্দ** / বিকাশ বৰা ১১০
**বহাগৰ ঠিকনা বিচাৰি** / বাবুল দাস ১১১
**বিদ্ৰুপ** / দিপ্তী মনি গোস্বামী ১১২
**বলি** / ৰাজ ৰাহুল ১১৩

❖❖❖

# সম্পাদকীয় কলম

## জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

অসমীয়া কাব্য-সাহিত্য অসমীয়া জাতিৰ এক ঐতিহাসিক কাব্যিক দস্তাবেজ। জাতিটোৰ চিন্তা-চেতনা প্ৰকাশৰ অন্যতম "মৰ্য্যদাপূৰ্ণ মাধ্যম"। ইয়াৰ পৰিসৰ, প্ৰসাৰ আৰু গতানুগতিক জীৱনত থকা অপৰিসীম প্ৰাসঙ্গিকতাৰে অসমীয়া সাহিত্য সাগৰসদৃশ গভীৰ, বিশাল আৰু বিস্তৃত।

ভক্তি দৰ্শন, আধ্যাত্মিকতাবাদ, প্ৰকৃতি, সৌন্দৰ্য্য, প্ৰেম-ভালপোৱা, বিৰহ-বিচ্ছেদ, সংস্কাৰ-সংস্কৃতি, দৰ্শন-পৰম্পৰা, ইতিহাস বিৱৰণ, লোককৃষ্টি, শিক্ষা, সমাজনীতি, ৰাজনীতি, জ্ঞান-বিজ্ঞান, দৈনন্দিন বিষয় ইত্যাদিৰ সমাহাৰেৰে অসমীয়া কবিতা এক স্বয়ং সম্পূৰ্ণ "কাব্যিক দৰ্শন"।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ', মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কীৰ্তন ঘোষা", শ্ৰীশ্ৰীমাধৱদেৱৰ "নামঘোষা" গোপাল মিশ্ৰৰ "ঘোষাৰত্ন' কবিৰত্ন ভট্টদেৱৰ হৃৎ-মন্দিৰ স্পন্দিত কৰা সৃষ্টিৰাজি', পৰৱৰ্ত্তী সময়ৰ হেম বৰুৱা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নৱকান্ত বৰুৱা, ভূপেন হাজৰিকা আদিৰ হৃদয় প্ৰসূত কবিতাৰাজিয়ে অসমীয়া কাব্য সাহিত্য তথা অসমভূমিক বিশ্ববন্দিত কৰি ৰাখিছে। মহাপুৰুষ জনাৰ "কৰতল কমল, কমল দল নয়ন" নিঃসন্দেহ বিশ্বৰ একক আৰু অনন্য সৃষ্টি।

কবিতাই ভাষা, ব্যাকৰণ আৰু শব্দৰ শুদ্ধতা আনে, মৌনতাৰে চন্দৰ নিজৰা বোৱাই জাতিৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি সৃষ্টিৰ অমৃত সন্ধান কৰাত সহায় কৰে।

অপৰিসীম বিষয়ৰ উপাদান আৰু বহুবোৰ শ্ৰেষ্ঠতম্ কাব্যৰত্নৰ সৃষ্টিৰে অসমীয়া জাতিৰ চিন্তা-চেতনাক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিব পৰাকৈ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল বিশ্বমানৰ কবি আৰু কবিতাৰে ভৰপূৰ আৰু চহকী।

এই কাব্যগ্ৰন্থখনৰ জৰিয়তে এহেজাৰজন অসমীয়া কবিৰ এটিকৈ শ্ৰেষ্ঠ কবিতা উত্তৰ পুৰুষৰ বাবে একত্ৰ সংৰক্ষণ কৰাৰ প্ৰয়াসৰ দিঠক ৰূপ হৈছে "সহস্ৰ কবিৰ সহস্ৰ কবিতা"?

*সহস্ৰ কবিৰ সহস্ৰ কবিতা, কবি আৰু কবিতাৰ এক অনন্ত যাত্ৰা.. ।*

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই অভিনৱ যাত্ৰাৰ সকলো সহযোগী আৰু শুভাকাংক্ষীৰ ওচৰত আমি কালান্তৰলৈ কৃতজ্ঞ হৈ থাকিম।

***শ্ৰদ্ধা আৰু ভক্তিৰে***

**হিতেশ গোস্বামী**

**মুখ্য সম্পাদক**

# কৃতজ্ঞতা

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ সহস্ৰ কবিৰ সহস্ৰ কবিতা শীৰ্ষক কাব্যগ্ৰন্থখনৰ সম্পাদনাৰ স'তে জড়িত কাৰ্যবাহী সম্পাদক, সম্পাদক, সহঃসম্পাদক, সমন্বয়ক, বিশেষভাবে আমন্ত্ৰিত বিশেষজ্ঞসকল, কবিতা প্ৰেৰণ কৰা সন্মানীয় কবিসকল, সংস্কাৰধ্বনিৰ উপদেষ্টা পৰিষদ, জটিল সময়ত পৰামৰ্শৰে ধন্য কৰা শুভাকাংক্ষী ব্যক্তিসকল, আৰ্থিক পৃষ্ঠপোষকতাৰে আমাক দৃঢ় কৰা ব্যক্তিসকল, সন্মানীয় স্বেচ্ছাসেৱক (Volunteers) সকল, যুৱ প্ৰতিনিধি (Youth Ambassador) সকল, শুভেচ্ছামূলক প্ৰতিনিধি (Goodwill Representative) সকল, আহ্বায়ক আৰু সমন্বয়কসকল, জিলা প্ৰতিনিধিসকল, যোগাযোগ মাধ্যমৰ আহ্বায়ক (Media Coordinator) সকল, অন্যান্য সম্পৰ্কিত, ব্যক্তি, অনুষ্ঠান আৰু প্ৰতিষ্ঠা (Associates) সমূহ, উপ-সভাপতি প্ৰমুখ্যে সাধাৰণ পৰিষদৰ সদস্যবৃন্দ, বেটুপাত শিল্পী শ্ৰীমান সত্যজিৎ নাথ, বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱা শ্ৰীমান কমল মজুমদাৰ, বিতুল গগৈ, গুণগুণ, কুকি, ৰাজীৱ বৰ্মন, ডিটিপি সম্পূৰ্ণ কৰা শ্ৰীদ্বীপেন কলিতা আৰু সাংবাদিক বন্ধুসকললৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

আপোনালোকৰ সহযোগিতাৰ বাবে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' পাঠক সমাজৰ হাতত শ্ৰদ্ধাৰে সমৰ্পণ কৰিবলৈ সক্ষম হৈছোঁ।

আপোনালোকলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**শ্ৰদ্ধাৰে...**
**সভাপতি আৰু সম্পাদক**
**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# পাতনি



## সংস্কাৰধ্বনি ফাউণ্ডেচনৰ অভিনৱ প্ৰয়াস 'সহস্ৰ কবিৰ সহস্ৰ কবিতা'

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই প্ৰয়াসৰ জৰিয়তে অকল অসমতে নহয়, সমগ্ৰ বিশ্বৰ চুকে-কোণে থকা অসমীয়া কবিসকলৰ একোটাকৈ কবিতা প্ৰকাশৰ চেষ্টা কৰিছে।

বিশ্বৰ সাহিত্য জগতৰ আদি পাঠেই হৈছে 'কবিতা'। ভাৰতীয় সাহিত্যৰ ঋকবেদখনক বিশ্বৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হয়। ঋকবেদ ছন্দবদ্ধ কবিতাৰ মাধ্যমত পূৰ্বৰ ঋকবেদৰ ব্যাখ্যা আৰু বিশ্লেষণৰ আজিও অন্ত পৰা নাই। ঋকবেদত যদিও বিভিন্ন দেৱ-দেৱী আৰোপ কৰি বিভিন্ন জীৱ আৰু জড় তাৰোপৰি দৃশ্য আৰু অদৃশ্য শক্তিক গভীৰ প্ৰজ্ঞাৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰা হৈছে; অনেক পণ্ডিতে সেই ঋকবেদখনতে বিজ্ঞানৰ অনেক স্পৰ্শকাতৰ আৰু উচ্চ পৰ্যায়ৰ তত্ব বিচাৰি পাইছে। আমাৰ অসমৰে এগৰাকী বিদগ্ধ পণ্ডিত অথচ পেচাগতভাৱে অবিভাজ্য অসমৰ মুখ্য অভিযন্তা আছিল;— সেইজন ৰাজমোহন নাথে ঋকবেদখন বৈজ্ঞানিক তত্বৰ ভাণ্ডাৰ হিচাপে ইংৰাজীলৈ অনুবাদ কৰিছিল। সেই অভিযন্তা পণ্ডিতগৰাকীয়ে এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতে সৃষ্টি কৰা কাব্য সাহিত্য ঋকবেদত বৈজ্ঞানিক সুত্ৰৰ ভাণ্ডাৰ বিচাৰি পাইছিল। মূলতঃ প্ৰাচীন কালত গণিত, বিজ্ঞান, ফলিতজ্যোতিষ ইত্যাদিও কবিতাৰ মাধ্যমত লিখি সঞ্চিত কৰি যোৱা আছিল।

যৰ্জুবেদ, সামবেদ, অৰ্থববেদ, পুৰাণ বা ইতিহাস সমূহ, মহাকাব্য ৰামায়ণ, মহাভাৰত, পশ্চিমীয়া সাহিত্যৰ ইলিয়াত, ওদিচি ইত্যাদি সকলোবোৰ বিভিন্ন ছন্দ, লয় আৰু মাত্ৰাৰ সমন্বয়ত মানৱ সমাজৰ চিন্তা-চৰ্চাবোৰ সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাটসমূহত গদ্যৰ প্ৰভাৱ পৰিলেও সুত্ৰধাৰ আৰু অনেক চৰিত্ৰৰ সংলাপত কবিতাই ঠাই পাইছিল। অসমত আনকি ১৯ শতিকাৰ আদি ভাগতো পদ্য বুৰঞ্জী ৰচনা কৰা হৈছিল। মহাগুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পৰামৰ্শ মতে ভট্টদেৱে কথাগীতা আৰু কথা-ভাগৱত ৰচনা কৰিছিল। ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ ভিতৰত অসমীয়াতেই পোনতে গদ্য সাহিত্য ৰচনা হৈছিল অৰ্থাৎ যোল্ল শতিকালৈকে সমগ্ৰ ভাৰতভূমিত সংস্কৃততে নহয় আঞ্চলিক ভাষাৰ সাহিত্যসমূহ কবিতাত ৰচিত হৈছিল।

কবিতাৰ বিষয়বস্তু যুগে যুগে সলনি হৈ আহিছে। মানুহৰ ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰো সলনি ঘটিছে। ১৭ শতিকাৰে পৰা ভাৰতবৰ্ষত পশ্চিমীয়া তথা ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। সেয়ে ইউৰোপীয় ভাষা-সাহিত্য আৰু সংস্কাৰ বুটলি লওঁতে অসমীয়া সমাজ ঐতিহাসিকভাৱেই পিছপৰি আছিল।

১৯ শতিকাৰ শেষৰ দুটা দশকৰে পৰা অসমীয়া সাহিত্যত ইউৰোপীয় তথা বিশেষকৈ ইংৰাজী সাহিত্যত প্ৰভাৱ পৰে। কলিকতালৈ পঢ়িব যোৱা অসমীয়া ডেকা-ল'ৰাসকলে ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলায়।

উল্লেখনীয় যে ১৮৪৫ চনতেই অসমলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টায়ান মিছনেৰীসকলে অৰুনোদয় নামাকৰণেৰে এখন আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰে। সেই সময়ৰ শিৱসাগৰত কথিত ভাষাটোকেই অসমীয়া লিখিত ভাষা হিচাপে অৰুনোদয়ত গ্ৰহণ কৰিছিল। প্ৰভূ যীশুৰ গুণ-গান গাই তেওঁলোকে সেই আলোচনীখনত কবিতা প্ৰকাশ কৰিছিল। যি কি নহওঁক কলিকতালৈ পঢ়িব যোৱা অসমীয়া যুৱকৰ স্বাভিমানৰ ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই নতুন প্ৰাণ পালে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ নিজৰ কবিতা সম্পৰ্কেই কৈছিল যে;— কবিতা হৈছেনে নাই তেওঁ নাজানে।' নহ'লেও আপত্তি নাই। অসমীয়া ভাষাত কবিতা, গল্প সাহিত্য ইত্যাদি লাগে। সেইবাবে তেওঁ লিখি গৈছে। ঠিক তেনেকৈয়ে তেওঁ অসমৰ বাহিৰত থাকিও অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। বিশেষকৈ বেজবৰুৱা দেৱৰ হাস্যৰস সম্বলিত লেখাসমূহ আজিও অসমীয়া সাহিত্যৰ ভড়ালত অনন্য বুলিয়েই স্বীকৃত হৈ আছে।

সেই সময়ত পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰপ্ৰসাদ আগৰৱালা, আনন্দৰাম ঢেকিয়াল ফুকন, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা ইত্যাদি ব্যক্তিয়ে অসমীয়া সাহিত্য জগতত এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰিছিল।

আধুনিক যুগত কবি হিচাপে পদ্মশ্ৰী নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, গণেশ গগৈ ইত্যাদিয়ে অসমীয়া সাহিত্যৰ কবিতাৰ ভড়াল চহকী কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' অসমীয়া কবিতা সাহিত্যত এটা বিশেষ স্থান অধিকাৰ কৰি আছে। আজিও সেই পুথিখনৰ আদৰ কমি যোৱা নাই। সাংসদ-সাহিত্যিক হেম বৰুৱাই অসমীয়া কবিতা জগতত এটা নতুন ধাৰাৰ সৃষ্টি কৰা বুলি কোৱা হয়। তেওঁৰ কবিতাত যদিও সমাজবাদী আদৰ্শৰ ইংগিত পোৱা যায় ভাষা, শব্দ, চয়ন, বিষয়বস্তু মুক্ত চন্দৰ মাজতে আৱেগ ভৰা লয় ইত্যাদিয়ে তেওঁৰ সৃষ্টিক নতুনত্ব দিছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' যদিও পশ্চিমীয়া সাহিত্যৰ আৰ্হিত লেখা হৈছে;— তেওঁৰ ভাষা বাক্যাংশবোৰৰ লালিত্য আৰু বিষয়বস্তুৰ বৰ্ণনাই অনন্য ৰূপ পাইছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' অসমীয়া কবিতা সাহিত্যৰ ভড়ালত নিশ্চয় চিৰযুগমীয়া হৈ ৰ'ব।

মই কামনা কৰোঁ আজিৰ এই বিশ্বায়তনিক নতুন যুগৰ নৱপ্ৰজন্মই সহস্ৰ কবিৰ সহস্ৰ কবিতাৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাওঁক।

❖ ***জয়তু ভাষা জননী*** ❖

**ড° নগেন্দ্ৰ নাথ শৰ্মা**
**মুখ্য উপদেষ্টা, সংস্কাৰধ্বনি ফাউণ্ডেচন**

সংস্কাৰধ্বনি ফাউণ্ডেচন
*Sanskardhwani Foundation*

**প্ৰথম ভাগ**

**সম্পাদনা**

আৰিফা হুছেইন বৰা



# নিয়ৰ সিক্ত এটা ৰাতি

দুলুমণি শইকীয়া
নগাঁও

ওৰেটো ৰাতি
টোপ-টোপ নিয়ৰৰ শব্দ
শব্দৰ বাহিৰে কি আনে নিয়ৰে!
নিসংগতা নে নিসংগতাৰ
উত্তাপত আচ্ছাদিত এবুৰি বেবেৰিবাং ভাৱনা
মন দুদ্যোল্যামান
নিৰ্বাক ৰাতিটো তিতি থাকে
নিশব্দে নীৰৱে
উজাগৰে থাকে নীলা আকাশখন
সৰা পাতে সাৰ পাই উঠে
শব্দৰ আওনিত
বিৰহী কবিৰ কঁৰাল বন্ধা চকুপানীৰ আছাৰকণিত
ৰুমৰ আচবাব বোৰেও
মুৰ তোলে
সেমেকি উঠে মজিয়া
নিয়ৰে নিজেও নাজানে
আনক তিয়াই
নিজে পোৱা সুখৰ কথা
বুকুভেদি যোৱা শব্দৰ আতঙ্কত
মেলা দুৱাৰত কি বিচাৰি চকু বিষায়
উজাগৰী শিতানৰ গাৰুটোত
নভবাকৈয়ে উচুপনি এটাই বাগৰ সলায়
নিয়ৰ সিক্ত ৰাতিটোৱে
সুখৰ টোপনি ভাঙে

সুখ-দুখ, আনন্দ-বেজাৰ,
আশা, আকাংক্ষাৰ পৰা
উচ্চাকাংক্ষাৰ কিবা জানো থাকে
ঠিকনা
অতীতক বুকুত ৰাখি বৰ্তমান নে
অতীতক পাহৰি ভবিষ্যত
ভাৱনাত দুলি থাকোঁতেই
পুঁৱতি নিশা শেৱালিৰ পাহিয়ে
কয় ...
এয়াই জীৱনৰ
ফুলি ফুলি সৰি পৰা
আকৌ জকমকাই ফুলি উঠা
মায়াসনা পৃথিৱীৰ
এখন সঁচা বহুৰঙী ছবি ।।



# পাইছা নে চিনি ?

জয়প্ৰকাশ ডেকা বৰুৱা
ৰূপনগৰ, গুৱাহাটী

যদি মানি লোৱা..
বৃত্তৰ কেন্দ্ৰবিন্দুত মোৰ বাসস্থান
এটি কম্পাছৰ দৰে কেন্দ্ৰৰ পৰা
চতুৰ্দিশে ময়ো হ'ব লাগে ধাৱমান
পৃথিৱী যেনেকৈ বৃত্তাকাৰ
মোৰো একেই আকাৰ
দিগদৰ্শন যন্ত্ৰই যেনেকৈ
পৃথিৱীৰ দিশ নিৰ্ণয় কৰি
চাৰিওটা দিশত কৰে খণ্ডিত..
উত্তৰ দক্ষিণ পূব আৰু পশ্চিম
ঠিক তেনেদৰে ময়ো চাৰি ভাগত বিভক্ত..
হিন্দু খৃষ্টীয়ান শিখ আৰু মুছলিম ।
মন্দিৰ মছজিদ গীৰ্জা গুৰুদ্বাৰ
সকলোৰে দুৱাৰ বন্ধ
ঘৰত আজি মানৱ-সমাজ আবদ্ধ
মোকলৈ এনেয়ে তোমালোকে
কৰি থাকা টনা-আঁজোৰা
এতিয়াচোন সকলোৰে মঙ্গল
কামনা কৰি আছা..
সকলো ভেদাভেদ পাহৰি !
এনে মনোভাৱক ক্ষন্তেকীয়া নকৰি
কৰিবা চিৰস্থায়ী
তেতিয়াহে হ'ম মই সুখী !
বৰ্তমান কিন্তু মই বিষণ্ণ অতি
এই বিপৰ্যয়ত অকণো
সকাহ দিব নোৱাৰি !
অচিৰে হ'ব সুবন্দৱস্ত
আৱিষ্কাৰ হ'ব উত্তম আয়ুধি
মই কোন এতিয়া পাইছা নে চিনি ?
মোৰ ৰূপ নহয় অনেক
মই এক
তোমালোকে..
সমস্ত মানৱকুলৰ আৰোগ্য বিচাৰি
যাৰ ওচৰত কৰি আছা স্তুতি
সেই জনা ময়েই
জগতপতি ।।



# দুখৰ কলিজাত আশাৰ শুভ্ৰ শব্দ

নিজৰা জান্নাত
হাতীগাওঁ, গুৱাহাটী

আমি আগবাঢ়ি আছোঁ
দুখৰ কলিজাত আশাৰ শুভ্ৰ শব্দ লিখি লিখি
এনেকৈয়ে জীয়াই থাকে আমাৰ দৰে মানুহে
যেন,
সীমাহীন আনন্দৰ  শিহঁৰণ তুলি
সাৰ পাই উঠে
শিলাময় পাহাৰত এলানি নীলা পাহাৰ।
হৃদয়বোৰ আমাৰ,
প্ৰত্যয়ৰ সুৰভিয়ে মলমলাই থকা
এছাটি জুৰ মলয়া
যেন, গোমোথা মেঘৰ পিছত এখনি মুকলি আকাশ।
এনেকৈয়ে
জীয়াই থাকোঁ আমি
জীয়াই থাকে আমাৰ দৰে মানুহ ।
দুখৰ কলিজাত আশাৰ শুভ্ৰ শব্দ লিখি লিখি ।।

# বিষাদ বন্যা

ৰীতা ফুকন, শিৱসাগৰ

বহু কথা বহুবাৰ পঢ়িলোঁ,
এদিন ময়ো আঁকিছিলোঁ শব্দৰ পথাৰ,
শিকিলোঁ,
বুজিলোঁ,
যি নীৰৱ
যি শেষ হোৱাৰ কথা নাছিল,
যি হেৰুৱাৰ কথা নাছিল,
যি কথাৰ এসোঁতাও আঁত নাছিল
এক হিমবিন্দুও য'ত স্বাৰ্থ নাছিল,
সেই তাতেই সানি দিয়া যায় কিছু ৰূঢ়তা,বোধহীনতা
পিন্ধাই দিয়া হয় ৰঙা নীলা অহংকাৰৰ চোলা।
কিছুমান কথা আকস্মিক
কিন্তু বুকুত শিলৰ ৰেখাৰ দৰে খাজ কাটি ৰৈ যায়।
যিমানেই আঁতৰাব খোজা যায় সিমানেই অচিন বিষ হৈ
উজাই থাকে।
যাৰ জীৱনত প্ৰবেশ কৰাৰ অধিকাৰ থাকে
তেওঁকেই জাকে জাকে মৰম দিব পাৰি,
খুজি ল'ব পাৰি বহু কিবাকিবি , হাজাৰ ব্যস্ততাকো পাহৰি
সময় দিব পাৰি...
আঙঠাৰ বুকু ফুঁৱাই উৰলি যোৱা শেঁতা হাত শুকুৱাব
পাৰি...
বহুকথাই বুকুত পৰি ছটফটায়।
বহু কথাই নিয়ৰ হৈ ৰ'দৰ বুকুত হেৰাই যায়।
বহু ছবি দেখাত পানীৰ দৰে সহজ কিন্তু নহয়...
আহিছিলোঁ, আদৰিছিল
উভতিলোঁ
কোনেওতো একো কোৱা নাছিল...
উভতাৰ বাট কি ইমান সহজ

# ভোক, ভোগ আৰু ভোগালী

ঝৰ্ণা দত্ত
হাতীগড়, যোৰহাট

ভোকৰ তাড়নাত পোৰা জুতি অনাবিল,
ভোগৰ ওচৰত নাথাকে তেনে তৃপ্তি,
আলিবলি খাদ্য সম্ভাৰ,দেখিলেই মন ভৰা
ভোগালীৰ আনন্দত আপোন পাহৰা,

বছৰীয়া কষ্টৰ  সফলতা ভোগৰ ভোগালী উৎসৱ
এদিন একো নথকা জনেও  কৰিছিল ভোগ,
সাদৰেৰে নিঃকিন জনকো আঁকোৱালি ধৰিছিল,
পথৰুৱা, দিশহাৰা, গৃহহীনৰ ঘৰতো ঘটিছিল ভোগৰ পয়োভৰ,

কিন্তু, নাই আজি সহানুভূতি, পৰৰ ভোক নহয় উপলব্ধি,
ভোগৰ নামত চলে বিলাসীতা, ভোকত মৰিলেও
ভোগালীত অসহায় জনে নাপায় এখনি ৰুটি,

ভোগৰ ভোগালী নহয়, লাগে নৈতিক প্ৰমূল্য,
ভোগৰ ভোগালী হৈ উঠক সমভাগী নিঃস্বজনৰ
ভোকৰ সেমেকা চোতাল ৰ'দেৰে উমাল হওক
জীৱন।।

# মৃত্যু বিভীষিকা ক'ৰোনা

গীতামণি দাস পাটৰ
নখোলা, মৰিগাঁও

কোলাহলপূৰ্ণ পৃথিৱীখন আজি নিতাল, নিস্তব্ধ;
এটি মাৰাত্মক ক'ৰোনা বিভীষিকাৰ
আক্ৰমণে কৰিলে,
পৃথিৱীক বিধ্বস্ত।
কাতৰ চিঞৰ মৃত্যুত কিৰিলি পৰা জনতাৰ
আয়ুসৰেখা ত্ৰুটি হ'ল সমাজৰ।
এয়া যেন অভিশাপ স্বয়ং নেদেখাজনৰ,
মানৱ জাতিৰ কুকৰ্মৰ।
প্ৰতি শ বছৰৰ অন্তৰালত
আগমন এনে এক মৃত্যু দূতৰ;
পৃথিৱী কঁপাই যোৱা মহামাৰী-মহাৰোগৰ।

চল্লিছ বছৰৰ আগৰ সংকেতবাণী
আমেৰিকাৰ বিজ্ঞানী ব্ৰাউনিৰ
'এণ্ড অফ ডেইজ'ত
এই মাৰাত্মক ভাইৰাছৰ সকীয়নবাণী।
তথাপিও সচেতন নহ'ল মানৱজাতি,
নুভুগিবলৈ এই মাৰাত্মক ব্যাধি।
আজি পৃথিৱীৰ কাতৰ দৃষ্টি
প্ৰশ্ন এটাই
কিয় নোহোৱা মানৱ তুমি সুস্থিৰ
প্ৰকৃতিৰ স্ৰষ্টাও আজি নিমাত;
বৃদ্ধি পোৱা পাপৰ বোজাবোৰ,
নোৱাৰিব তেওঁ পুনৰ চম্ভালিব।
হেৰৌ! এতিয়াও গা-নলৰা আই-বোপাইহঁত;
লক-ডাউন নমনা উশৃংখল জনগণ
দেখা নাই চীন, ইটালী ভিন্ন দেশৰ মৃত্যু
উপত্যকা?
মৃত্যুৰ চিতাত দপদপকৈ জ্বলি উঠা শ-শ দেহা।
আত্মীয়কো কাষত নোপোৱাকৈ,
মৃত্যুক আঁকোৱালি লোৱা, অসহায় বেথা।
ভয়ংকৰ ভাইৰাছ ক'ৰোনাৰ প্ৰতিকাৰ
মাথোঁ আমাৰ নিজৰ হাতত।
সজাগ, সচেতন, পৰিষ্কাৰেই,
ক'ৰোনা যুঁজৰ মূলমন্ত্ৰ।
আহক
নিজৰ লগতে আনকো বচাওঁ,
আতংকিত নহৈ সজাগতাৰ সৈতে
বিশ্বব্যাধি ক'ৰোনাক ৰোধ কৰি যাওঁ।
বিপন্ন হ'বলৈ ধৰা সমগ্ৰ মানৱজাতিক,
মৃত্যুৰ দুৱাৰডলিৰ পৰা পুনৰ উভতাওঁ ।।

# স্বাধীনতা

নীলমণি বৰা
হাতীগড়, যোৰহাট

স্বাধীনতা জাহিৰ কৰিবলৈ মোক এগৰাকী নাৰী লাগে
তুমি হব পাৰিবানে,
মই যে স্বাধীন তাক বুজাবলৈও এগৰাকী নাৰী লাগে
তুমি হব পাৰিবানে,
মই যে পৰাধীন তাকো বুজাবলৈ
মোক এগৰাকী নাৰী লাগে।
আচলতে এগৰাকী নাৰীৰ সংগ অবিহনে কেনেকৈনো বুজাওঁ
স্বাধীনতাৰ সোৱাদ কি?
তোমাক বিবস্ত্ৰা কৰি প্ৰতি নিশা মই বুৰাই দিব পাৰোঁ
ৰঙীন পানীয়ৰ আবেশত,
ইচ্ছা গলেই যিমানবাৰ লাগে মই পাশৱিক হব পাৰোঁ
পুৰুষ হোৱাৰ স্বাধীন মোৰ সত্বা,
স্বাধীনতা হেনো মোৰ জন্ম স্বত্ব অধিকাৰ,
স্বাধীনতাৰ বাবেই এগৰাকী নাৰী লাগে,
এগৰাকী নাৰী অবিহনে মই তোমাক কেনেকৈ ক'ম
স্বাধীনতাৰ সোৱাদ কি
জয় হিন্দ, ভাৰত মাতা কি জয় অথবা জয় আই অসম একোৱেই
সোৱাদ দিব নোৱাৰে,
কোনো জিন্দাবাদ ধ্বনি নালাগে
স্বাধীনতা জাহিৰ কৰিবলৈ মোক এগৰাকী নাৰী লাগে,
নাৰী অবিহনে স্বাধীনতাৰ জানো অৰ্থ আছে?
কনকলতা নতুবা ভোগেশ্বৰীৰ দৰে নহ'লে
মই তোমাক নোৱাৰোঁ বুজাব
দেশৰ স্বাধীনতাৰ সোৱাদ কি ?
সেয়েহে মহিয়সীৰ বুকুত খোদিত মোৰ স্বাধীনতা
মোৰ আই মোৰ স্বাধীন সত্বাৰ গংগা যমুনা সৰস্বতী ।।

# জাবৰৰ দ'মত সপোন বিচৰা সেই ছোৱালীজনী...

সোণতৰা দাস
নিউবঙাইগাঁও

ৰাতিপুৱা হোৱাৰ লগে লগে
তাই লৰা-লৰিকৈ জাবৰৰ দ'ম কেইটাৰ
কাষলৈ যায়,
তাইৰ বাবে মূল্যবান বস্তু বিচাৰি।
জাবৰৰ দ'মত পোৱা ......
বস্তুকেই বিক্ৰী কৰি তাই
খোৱা বস্তু কিনি খাই, জীয়াই থাকিবলৈ
কেতিয়াবা সেয়াও নহয়গৈ
কেতিয়াবা তাইৰ গাটো বেয়া লাগে,
তেতিয়া দেৰিকৈ যায়,
জাবৰৰ দ'ম কেইটাৰ কাষলৈ।
সেইদিনা দুখ মনেৰে উলটিব লগা হয় তাই।
আগতেই তাইৰ দৰে কিছুমানে
বস্তুবোৰ বিচাৰি লৈ যায়।
এনেই যেতিয়া তাই খোজকাঢ়ি থাকে,
ডাঙৰ ডাঙৰ অট্টালিকা বোৰলৈ
দুখ মনেৰে চাই থাকে।
ঘৰ, ডাঙৰ ঘৰ...
তাতো মানুহ থাকে।
তাইৰো ঘৰ এটা আছে...
সুন্দৰ এটা সৰু ঘৰ...
এটা জুপুৰি ঘৰৰ কাষতে।
এখন কাপোৰেৰে সাজি লোৱা তাইৰ ঘৰ।
তাইৰো মন যায়...
ধুনীয়া ঘৰ এটাত থাকিবলৈ।
অকণমান কাজল- লিপষ্টিক সানি ষ্টাইল কৰিবলৈ।

কিন্তু...
ভাল কিবা কেতিয়াবা হঠাৎ পাই খাবলৈ
যেতিয়া কোনোবাই খোৱা বস্তু দান কৰে।
পিন্ধিবলৈও নতুন কাপোৰ পাই
যেতিয়া কোনো ধনী লোকে নিজৰ
ল'ৰা-ছোৱালীৰ জন্ম দিনত দান কৰে
হয়তো সকলোৰেই দৃষ্টিগোচৰ হয়...
তাইৰ দৰে ছোৱালী,ল'ৰা
যিয়ে ...
জাবৰৰ দ'মত সপোন বিচাৰি ফুৰে!

# মোৰ বাবে তুমি

অনুপ চাওদাং বৰুৱা
তিনিচুকীয়া

তোমাক ধুনীয়া বুলি
নক'লোৱে যেনিবা....
তাতে কি হ'ল?
তুমিতো আপচু হৈ নোযোৱা!

তোমাক ভালপাওঁ বুলি
নক'লোৱে যেনিবা....
তাতে কি হ'ল?
তুমিতো আধৰুৱা হৈ নথকা!

কবিতাৰ শিৰোনাম
নিদিলোয়ে যেনিবা
তাতে কি হ'ল?
সিটো অকবিতা হৈ নাযায়!

সময় আছেনে তোমাৰ?
যদি আছে শুনা,
তুমি মোৰ বাবে মাথোঁ
এটি ৰঙীন সপোন...
আৰু সপোন বাবেই
তুমি মোৰ অতি আপোন।



# শেষ যাত্ৰা

জোন হাজৰিকা
শদিয়া

অন্তিম উশাহত বিচাৰিম তোমাক
ৰাখিবানে তুমি মোৰ শেষ আহ্বান
দুচকুত ভাঁহিব শেষবাৰৰ বাবে পৃথিৱীৰ ছবি
তাৰ পাচত ধূসৰ হৈ পৰিব জীৱনৰ য'ত স্মৃতি!!!

শুভ্ৰ বয়ন পিন্ধি যাত্ৰা কৰিম মই মোৰ শেষ শয়নলৈ
থাকিবানে তুমি মোৰ শেষ যাত্ৰাৰ সাৰথি হৈ
দপদপকৈ জ্বলি উঠিব মোৰ মৰমৰ পজাঁটি
দিবানে চকুলো এটুপি মোক শেষ উপহাৰ বুলি!!!

যি মায়াতে বন্দী আছিল মোৰ ক'ত আশা - সপোন
নাহোঁ উভতি আৰু এই বাটে বিচাৰি বুকুৰ আপোন
ধোঁৱা হৈ বতাহত মিলিম মই শূন্যতাৰ সাৰথি হৈ,
তুমি মনত পেলাবানে ...
এদিন নিবিড় পৰত মোলৈ!!!

ক'বলৈ মনৰ কথা সময় নাথাকিব যে মোলৈ ৰৈ
আহিব যেতিয়া শেষ পল মোৰ জীৱনলৈ
কেনেকৈ জনাম বিদায় দুচকু মুদি মোৰ শেষ নিঃশ্বাস
প্ৰাণহীন দেহত নিদিবা ঢালি ফুলৰ মালাৰ সুবাস!!!

তৰা ভৰা আকাশৰ জোনাক আৰু নালাগে
নুশুনো আৰু পক্ষীৰ গীত মই কোনোকালে
নৈৰ সোঁতত উটাই নিদিওঁ বিষাদৰ অশ্ৰুধাৰা
বালি চাপৰিত অন্ত পৰিব মোৰ জীৱনৰ শেষ যাত্ৰা!!!

## দ্বিতীয় ভাগ

**সম্পাদনা**

ৰঞ্জনা পাঠক



# কবিতা তুমি

দীপেন কুমাৰ কাকতি
গড়ল (বৰুৱাপাৰা)

বিষাদ মনৰ অনুভূতিবোৰ
হয় যদি কবিতাৰ সৃষ্টি
কলীয়া মেঘৰ গৰ্জনেহে
আনে সোণোৱালী বৃষ্টি
সেউজী শস্য-শ্যামলাৰ
এই বিচিত্ৰ ধৰাখনি
কেতিয়াবা..
কবিতাত লিখা থাকে
বিশাল সৃষ্টিৰাজীৰ
হৃদয়ৰ জীয়া অনুভূতি
অন্তহীন যাতনা আৰু অব্যক্ত বেদনা
প্ৰেম আৰু বিষাদৰ ক্ষমতাৰে
এই জীৱন গাথা
পানী যুৰলীৰ সুপ্ত নিজৰা
বৃষ্টিৰেহে সৃষ্টি এই ধৰা
ডাৱৰ পূৰ্ণ কলীয়া আকাশ
শালি ধৰা হৃদয়ৰ মুক্ত প্ৰকাশ
সেউজ ধৰাত লুকাই থাকে
কবিৰ অশ্ৰুভৰা বিমলানন্দত
সুৰৰ ঝংকাৰত কবিতাৰ
শব্দৰ মহামিলনত
সৃষ্টি হয় সংগীতৰ সুমধুৰতা।

# জীৱনৰ অনুভৱ

গীতালি হাজৰিকা
বেলতলা গুৱাহাটী

ৰংবোৰ এনেকৈয়ে হেৰাই
বেলি লহিওৱাৰ পৰতে,
ৰাতিটোৰ বাবে অৱসৰ লোৱা
বেলিৰ লগত
তুলনা নহয় মৃত্যুৰ সত্যতা
জন্ম আছে যিহেতু,
মৃত্যুওঁ চিৰসত্য
কিন্তু অকাল মৃত্যু নহয় শিল্প
এজনৰ অকাল মৃত্যু মানে
অৰ্দ্ধমৃত হয় আপোনজন
প্ৰিয়তমাই পিন্ধিলয় অজানিতে
এজোৰ শুকুলা সাঁজ
উজ্জ্বল উতলা ৰংবোৰ
পলকতে হেৰাই
ৰাজকন্যাৰ এই
বিষাদ বদন কোনো
পিতৃৰ কাম্য নহয়
(পিতৃৰ বাবে যিহেতু
জীয়ৰী সদায়ে ৰাজকন্যা)
আই অ'সোলোকাই থ,
তোৰ এই শুকুলা বসন,
হাতে কানে পিন্ধিল সোণোৱালী ৰং
আকৌ জলক কপালত তোৰ
দগমগ সেন্দূৰ ফুল
এনে এখন মহান হৃদয়ৰ
মাজত পলকতে হেৰায়
পাৰভঙা বেদনাৰ ঢৌ
তুমি সুখী হ'বা
যিদিনা আন এখন
মহান হৃদয়ে আঁকি দিব
তোমাৰ দুহাঁতত আস্থা আৰু
বিশ্বাসৰ ৰামধেনুৰ সাতোৰং
তুমি পুনৰ হাঁহিবা এটি
সেন্দুৰ বৰণীয়া দগমগীয়া
হাঁহি.....।।

# সময় আৰু সমীকৰণ

নিবিৰ নয়ন
বাক্সা

আজি  তোমাৰ বিচৰা নাই
সময় আৰু সমীকৰণ
প্ৰেমিকৰ নামাকৰণ
কিম্বা
নিবিচাৰো মৰ্যাদা হৃদয়ৰ
স্বত্বাধিকাৰীৰ
বিচাৰে মাথো ব্যাকুল হৃদয়ে
ক্ষণিক দৃষ্টিৰ সাধনাত
মৰমৰ স্পৰ্শেৰে সৃষ্টি হোৱা
ভালপোৱাৰ উমাল
বুকুৰ এধানি মলয় ..।।
সেই দৃষ্টিত ফুলি উঠক
প্ৰেমৰ সুগন্ধিজোপা
নাচি উঠক কৃষ্ণচুঁড়াৰ দৰে
আশাৰ গোলাপজুপি
সোঁৰণশিৰীৰ দৰে  বৈ পৰক
বুকুৰ কোঁহে কোঁহে
শীতলতাৰ নিৰবিচ্ছিন্ন ঢৌ
আস ..কি এক মাধুৰ্য্যৰ মাদকতা
শুনাচোন তুমি
হৃদয়ৰ মন্দাকিনী
উষ্ম আদৰণিৰ সম্ভাষণ নহ'লেও হ'ব
গুপুতে গুপুতে বুকুৰে জনাবা সঁহাৰি
তাকেই সাবটি ল'ম
মৰুৰ যাত্ৰাত পিয়াহ পলাবলৈ
সেয়াই প্ৰয়োজন
এনেদৰেই যেন
চিৰদিনলৈ ৰাখি থোৱা
তোমাৰ কাষত,
মোৰ অবুজন হৃদয়খন  বন্ধকত

কোনোবাই সুধিলে কৈ দিবা
তোমাৰ হৃদয়ৰ ভাড়াতীয়া বুলি

আৰু
মই জানো সজাই দিব পাৰিম
কেতিয়াবা ,
তোমাৰ সুন্দৰ পদূলিত
এপাহি ৰক্ত জবাৰ
কুসুম কানন খনি !!

# কলংপৰীয়া কবি নৰকান্ত

কল্পনা কুমাৰী দাস
ৰংভূমি, গোটানগৰ

কলংপৰীয়া কবি গৰাকীক দেখিছোঁ
দেখিছোঁ অতি ওচৰৰ পৰা
দেখিছোঁ তেওঁৰ ঘৰ-দুৱাৰ
আলি-পদূলি সকলো

জপনা খুলিলেই ফুলনি
ফুলনিত ফুলি আছে
বহু কাঁইটীয়া ফুল
তেওঁ ক'ব খোজে
জীৱনৰ যন্ত্ৰণাৰ কথা
কাঁইটীয়া গছৰ প্ৰতি তেওঁৰ
ইমান দৰদ কিয়
ঘাত প্ৰতিঘাটেৰে
মানুহৰ জীৱনটো
যেন এজুপি কাঁইটীয়া গছ
উটৰ ডিঙিৰ ছাঁ
দীঘল ডিঙিৰ ছাঁ
শুকান বালি, মৰুভূমি,
জীৱাশ্ম, মৰা মকৰা,
বুঢ়া পৃথিৱী, ককা দেউতাৰ হাড় ,
পচোৱা, শুকান সৰাপাতৰ খচমচনি,
কংক্ৰীতৰ মহানগৰ, অৰক্ষয়ৰ দৰে
শব্দৰ অভিধাৰে ব্যঞ্জিত হয়
তেওঁৰ কবিতা
এবাৰেই পৃথিৱী চাই যোৱা
কেতিয়াওঁ উভতি
নহাৰ কথা কোৱা
কবি গৰাকীৰ কি
গোপন ব্যাথা



কবিতাৰ দেহত
ঢালে নৈৰাশ্য
কবিতাৰ গোপন
মেলৰ নিচাত
সংস্কৃতিৰ বীজ
কঢ়িয়াই ফুৰা
কবি গৰাকী
নাতিৰ নতুন পামৰ
নাঙলৰ সীৰলুত
সাৰ পাই উঠিব নেকি ?

# ঢৌ .. জাহাজ আৰু নাৰিকৰ সাধু

ভাস্কৰ জ্যোতি বৰা
গোলাঘাট

জাহাজ এখন আহি
বন্দৰ পাওঁ পাওঁ হওঁতেই
আকাশে বৰণ সলালে
ওৰেটো দিন ঢৌত বাগৰি আহি
এতিয়া জাহাজ জঠৰ
এন্ধাৰেও ক্ৰমশঃ গিলিবলৈ লৈছে
সমগ্ৰ বন্দৰ
গাৰ নীলাখিনি ৰাতিটোৰ বাবে
সাগৰৰ বুকুতে লুকুৱাই থৈ
আকাশখনেও নেদেখাৰ ভাও জুৰি
ওৰে ৰাতি জাহাজখনক পৰ দি থাকিল
নীলাখিনি ক'লা হৈ যোৱা বাবে
এতিয়া একোৱেই মনিব নোৱাৰি
বন্দৰেই জাহাজৰ বিছনা
বন্দৰেই জাহাজৰ ৰাতিৰ ঠিকনা
জাহাজখনক শোৱাৰ যা-যোগাৰ কৰি দি
নাৰিকজন প্ৰতি ৰাতি হেৰাই থাকে
ঢৌৰ শৰদত টোপনি নোযোৱা জাহাজখনে
কাণ উনাই থাকে
ক'ত বা গৈছে কি বা হৈছে
জাহাজৰ দৰে নাৰিকৰতো নাই
কোনো বন্দৰত নিৰ্দিষ্ট ঠিকনা
তেনেতে
সাউতকৈ ঢৌ এটা আহি
জাহাজক কৈ গ'ল কাণে কাণে
" ...হেৰৌ , শুই থাক নিমাতে নিতালে
তোৰ নাৰিক নেহেৰায়
তইতো নাজান
এনেকৈ এন্ধাৰৰ আঁৰ লৈ
ৰাতিটোৰ বাবে হেঁৰাই যোৱাই যে
নাৰিকৰ জীৱন ...."
ঢৌৱে বহু কথা জানে
বাগৰ সলাই সলাই ঢৌৱে
জনাবোৰ পাগুলি থাকে
আকাশ নীলা হৈ থাকোতে
ঢৌবোৰ বগা হয়
আকাশ ক'লা হ'লে
ঢৌৱে পেটৰ কথা আনক কয়
ঢৌৱে ঢৌৱে বিঢৌত হোৱা জীৱনত
নাৰিকেও নাজানে
ঢৌৱে যে তেওঁৰ কথা সকলো জানে... !!

# নাৰী তুমি পূৰ্ণাকাশ

পাৰুল বৰুৱা
গুৱাহাটী, লাচিত নগৰ

নাৰী কাহানিও নোহোৱা তুমি অৰ্ধাকাশ
সমস্ত গৰিমা মণ্ডিত
উজ্জ্বল নক্ষত্ৰ খচিত
তুমি এক পূৰ্ণাকাশ
সমগ্ৰ জীৱন জুৰি তুমি
মাথো কৰি গ'লা ত্যাগ
দুহিতাৰূপে পিতৃৰ আদেশ পালি
কটালা শৈশৱ,যৌৱন তোমাৰ
সংসাৰ বন্ধনত বন্দী হৈ
কেৱল  আনৰবাবে
জলাঞ্জলি দিলা তুমি
আপোন সত্বাক,
পাহৰিলা নিজা পৰিচয়
মাতৃৰূপে সন্তানৰ দায়িত্ব পালি
গঢ়িলা মানৱ সম্পদ
দেশ তথা  দহৰ বাবে
দুখকো নুবুলি দুখ কৰি
গ'লা কৰ্ম মাথোঁ
আনৰ হিতৰ বাবে
তেনেহলে তুমি কিয় হ'বা
অৰ্ধাকাশ ?
তোমাৰ অবৰ্ত্তমানত সকলোটি
হ'ব যে অচল জাহাজ
হৃদয়হীন পুৰুষৰ অতপালি
কিমান সহিবা আৰু
সমাজেও নাৰীকেই কৰে
মাথোঁ লঘু, লাঞ্চনা
'নাৰী পাতৰ তলৰ লাও'
এই কথা কাহানিও নানিবা মনত
নাৰী আজি সমাজৰ উজ্জ্বল নক্ষত্ৰ
হাজাৰ ধুমুহাই টলাব নোৱাৰা
এক বটবৃক্ষ
নাৰী আজি সদা জাগ্ৰত
সদা কৰ্মথ,এক পূৰ্ণাংগ আকাশ
ছত্ৰছাঁয়াত যাৰ উজ্জীৱিত দেশ
আৰু সমাজ আমাৰ
দয়া, প্ৰেম-মমতা,হিংসা-অহিংসাৰ বীজ ধাৰণ
কৰিব পৰা
তুমি প্ৰোজ্জ্বল ক্ষমতা
তুমিয়েই ধৰিত্ৰী, তুমিয়েই জননী
তুমি জীৱন দায়ীনি
লক্ষী স্বৰূপিনী তুমি ঐশ্বৰ্য্যদায়িনী
স্বৰস্ৱতী ৰূপে তুমি জ্ঞান দায়িনী,
দুৰ্গাৰূপে তুমি শক্তি প্ৰদায়িনী।।

# দুষ্ট ফাগুন

নিলোৎপল বড়া
গুৱাহাটী

নাহিবি তই দুষ্ট ফাগুন
নকৰিবি আৰু মোক বলিয়া
তোৰ বা লাগি মইযে
একেবাৰে চঞ্চল হৈ পৰোঁ
মোৰ গালে মুখে সানি দিয়া
পলাশৰ আবিৰে পলকতে
মোক উতনুৱা কৰি তুলে।
হেঁপাহেই নপলায় দেখোঁ
তোৰ মৰম সাৰটি
দিবিনে আজীৱন মৰম
ফাগুনৰ পচোৱা জাক হৈয়ে
মনৰ আকাশত থাকিবি
পূৰ্ণিমাৰ জোন হৈ
পোহৰ বিলাই যাবি
আন্ধাৰ বিনাশি
দুনাই নাযাবি উভতি।

# কেনে আছা তুমি

কৃষ্ণা নেওগ
কটকী পুখুৰী, যোৰহাট

কেনে আছা তুমি
আজি বহু দিনেই হ'ল
তোমাৰ খবৰ নোপাৱাৰ,
তোমাৰ আৰু মোৰ পৃথিৱীখন
পৃথক হ'বৰে পৰা,
খবৰবোৰো যে পৃথক হৈ গ'ল।
জানিবৰ মন যায়,
কেনে আছা তুমি
কেনে আছে তোমাৰ
প্ৰেমিক হিয়াখন
হিয়াৰ নিভৃত কোণত
এতিয়াও উঠেনে,
প্ৰথম প্ৰেমৰ সেই হিল্লোল
বৰষুণৰ বতৰ শুনানে
তুমি এতিয়াও
প্ৰিয়াৰ হৃদয়ৰ গুণগুননি
মায়াময় জোনাকত
এতিয়াও নিগৰে নে
প্ৰেয়সীৰ নামত ইটোৰ পাছত
সিটো প্ৰেমৰ কবিতা
জোনাক নিশা জোনৰ সতে
একাত্ম হয়নে তোমাৰ
প্ৰিয়তমাৰ মুখ
ফাগুনৰ ধূলিয়ৰি বাটত,
অগা দেৱা কৰেনে
প্ৰেমিকাৰ মুখ
পছোৱাই কাণে কাণে
এতিয়াও কৈ যায়নে
পুৰণি দিনৰ সেই
জীয়া কবিতাবোৰৰ কথা
কেতিয়াবা সময় পালে জনাবাচোন
মই অপেক্ষাৰত তোমাৰ আৰু মোৰ
সেই চিনাকি ঘাটত, চিনাকি সময়ত!!!

# আশাৰ গজালি

আবু চুফিয়ান
হাতীগাঁও, গুৱাহাটী

সেউজীয়া মোৰ প্ৰেমৰ প্ৰতীক
কল্পনাৰ বাহন হৈ
তৰাৰ দেশলৈ কঁঢ়িয়াই
মোৰ ৰঙাৰ সপোন,
আজন্ম প্ৰেমৰ
অভোক যন্ত্ৰণাৰ
জ্বালামুখী প্ৰতিবাদ
প্ৰেমে ক্ৰমেক্ৰমে বৰণ সলাইছে
সেউজীয়াৰ পৰা হালধীয়া
হালধীয়াত ৰাসায়নিকৰ প্ৰলেপ
বৰণবোৰ ক্ৰমাগত বেঙুনীয়াৰ পৰা
উজ্জ্বল গেৰুৱা হৈ ঠিকনা হেৰুৱাইছে
বিৱৰ্তনটোত দুকুৰি পাৰ হৈছে
প্ৰেমে গৈ হাহাঁকাৰৰ ৰূপ লৈছে
কুকুৰাবোৰে সেউজীয়া গিলি
ওকালি দিছে, বিষ্ঠাই নৰৰূপ ধৰিছে
হাহাকাৰৰ ৰঙাই প্ৰেমৰ ৰূপ লৈছে
ৰক্তজবাই আকাশ জিলিকাইছে
ভোকবোৰ নোহোৱা হৈছে
সেউজীয়াই প্ৰেম হৈ
বুকু শাঁত কৰি
প্ৰেমৰ জয়গান গাইছে
সপোন আজি দিঠক হৈছে
সেয়ে আজি ক্ৰমে
ধৰালৈ নামি আহিছে
সেউজীয়াই ৰঙাৰ প্ৰেমত
জয়গানৰ মজলিছ্ পাতিছে
ধৰাৰ বুকুত আশাই গজালি মেলিছে
ধৰাৰ বুকুত আশাই গজালি মেলিছে!!!



# সোণাৰু মোৰ সমাধিত সৰা

উৎপল শিৰম
নাগশংকৰ বিশ্বনাথ

মই নোহোৱা পৰত নাকান্দিবা তৰা
গুজা মাৰি আহিবা
সোণাৰুৰ সোণ এচপৰা!
সোণাৰু যে প্ৰিয় ৰং
থোপে-থোপে লোমা-লোম
সোণাৰুৰ হালধীয়া হাঁহি,
আকাশৰ সৰি পৰা সোণ!
সোণাৰুৰ সোণৰ খাৰু
বাখৰুৱা মণিবন্ধত
মেৰাই সজাব পাৰোঁ,
নাকত পিন্ধাব পাৰোঁ
সোণাৰুৰ পকোৱা ৰেণু!
মই নোহোৱা পৰতো
সোণাৰুবোৰ ফুলিব
সুবৰ্ণা খচিত হ'ব মেঘ,
তলভৰি সৰিব!
মই নাই বুলি উচুপি নুঠিবা সোণ
ধৰফৰাই নুঠিবা আবৰ্তমানত মোৰ;
সোণাৰুৰ পাহি গুছাই
নিৰ্জীবতাই তোমাকেই চাব,
সমাধিত সৰি পৰা সোণাৰুৰ সোণগুটি
মোৰেইতো কথা কৈ তোমাক নিচুকাব!
জুমি চাম সোণামুখী তোমাক
মেঘৰ আঁৰৰ পৰা,
আতঁৰাই চুই চাবা
সোণাৰু সমাধিত সৰা
মই নোহোৱা পৰত নাকান্দিবা তৰা
গুজা মাৰি আহিবা
সোণাৰুৰ সোণ এচপৰা!

সংস্কাৰধ্বনি ফাউণ্ডেচন
*Sanskardhwani Foundation*

## তৃতীয় ভাগ
## সম্পাদনা

এছ্ আহমেদ



# পগলা কুকুৰ

মতিউৰ ৰহমান
জুৰীয়া, নগাঁও

কুকুৰে ভাৰসাম্য হেৰুৱাত
যাকে-তাকে কামুৰিছে,
এনে উৎশৃঙ্খল পৰিৱেশত
অশান্তি দিনক দিনে
ভয়াৱহ হ'ব ধৰিছে।
আন প্ৰাণীবোৰৰ শ্ৰেষ্ঠত্ব,
গুণ-গৰিমা যেন হেৰাই গৈছে
এনে অধ্যায়ৰ কেতিয়া সমাপ্তি হ'ব?
এয়া বৰ্তমান চিন্তনীয় বিষয়ত পৰিগণিত ।

কুকুৰ পগলা হ'লে
ভয়ৰ কাৰণ হৈ পৰে,
শান্ত ভাৱে ঘূৰি ফুৰিলে
কোনো সমস্যাৰ সৃষ্টি নকৰে।

কুকুৰৰ প্ৰতিও আদৰ আছে
কিন্তু যি কুকুৰে বুজি পায়!

কিছু কুকুৰৰ বৌ-বৌ
শব্দও ভাল লাগে,
কিন্তু পগলা কুকুৰ য'তেই যায়
তাতেই কেৱল অশান্তি বিয়পায়।
সেয়ে কুকুৰ পগলা নে সাধাৰণ
চিনি পোৱা খুবেই প্ৰয়োজন।

# ফাগুনৰ অইনিঃতম

যোগেশ্বৰ লাগাচু
ধেমাজি

লৃগাং পঃল গিন্‌মুৰ
বুকুত সৰাপাতৰ ঝুমুৰ
পূবালী পছোৱাৰ বা লাগি

মুৰং ঘৰৰ বাকৰিত গুমৰাগ
ঢোলে-তালে, বাঁহীৰ গুমগুমনি

পলাশ-মদাৰ ফুলবোৰৰ খিলখিলনি
অক্লান্ত পাক্নমৰ মৌ মিঠা মাত
গছৰ ডালে ডালে বহি

বিধস্ত পথাৰৰ ছবি আঁকি আঁকি
কোনে গায়
কোনে গায় বাৰু
অইনিঃতম কলি জুৰি
ডাৰৰীয়া নীলাকাশ
ছটফট ৰ'দ কাঁচলি।



# মই অসমীয়া

দেৱৰাজ কলিতা,
গুৱাহাটী

অসম ভূমিৰ অসমীয়া পৰিয়ালত
জন্ম গ্ৰহণ কৰিলোঁ।
জন্মসূত্ৰেই মোৰ খাটি অসমীয়া পৰিচয়,
মই অসমীয়া হ'লোঁ।
জাতি-ভেটি মোৰ অসমীয়া,
ভাষা মোৰ অসমীয়া।
অসমীয়া ঘৰত থাকি,
অসমীয়া স্কুলত অসমীয়া ভাষাত পঢ়ি,
হ'লোঁ মই খাটি অসমীয়া।
হ'ব পাৰো মই দুখীয়া,
তথাপিও মই খাটি অসমীয়া।
শঙ্কৰ মাধৱৰ দেশ অসম ভূমি,
হাড়ে-হিমজুৱেই আমি অসমীয়া।।
লাচিতৰ দেশৰ অসমীয়া আমি
বাহুত, মনত লাচিতৰ বল।
সাহস, শক্তি আছে আমাৰ দুই বাহুত
মনত আছে লাচিতৰ মনোবল।।
সহজ সৰল অসমীয়া আমি অতিথি পৰায়ণ।
অসম দেশৰ ভালৰ বাবেই আমি দিব পাৰো জীৱন দান।।
অসম দেশত থাকো আমি
দেশৰ প্ৰাকৃতিক সৌন্দৰ্য্য বিনন্দীয়া।
অসম দেশৰ স্থায়ী বাসিন্দা আমি
জন্মগতভাৱেই মই অসমীয়া।

# মৃত্যুদূতৰ আতংক

গগন কলিতা
কামৰূপ

সেমেকি উঠা নয়নৰ দুই মেৰুত
আশাবোৰ ক্ৰমাৎ ধাৰাশায়ী
বিশাল আকাশৰ গোপন গাথাবোৰো
বিলুপ্ত মহামাৰীৰ আতংকত,
সৌ আকাশৰ পোহৰবোৰো
লাহে লাহে বিধ্বস্ত অজান শত্ৰুৰ হাতত।
বিশ্বব্যাপি অৱতৰণ মৃত্যুদূতৰ,
বিজ্ঞান কি চিকিৎসাও ওৰ পেলাব পৰা নাই
এই মৃত্যুদূতৰ গতিক।
আজি সমগ্ৰ বিশ্বৰ বিজ্ঞান চিকিৎসাই
বা-দি বাট নোপোৱা পৰিস্থিতি ,
ভাগৰি পাৰিছে জীৱ শ্ৰেষ্ঠ মানৱ জাতি।
ৰুধিব পৰা নাই কোনো ৰাষ্ট্ৰই,
পৰীক্ষাগাৰত অহৰহ বৈজ্ঞানিকৰ নৱ নৱ পৰীক্ষা,
কিন্তু বিফলতাৰ অন্ধকাৰত বন্দী,
মাথো নিৰ্বিকাৰে চেষ্টা অব্যাহত।
মৃত্যদূত ৰূপী মহামাৰীত
সমগ্ৰ বিশ্বৰ জীৱন প্ৰণালী স্তব্ধ,
জীৱন বচোৱাৰ অপ্ৰাণ চেষ্টাত
ভাগৰি পৰিছে সমগ্ৰ দেশ।
এফালে জীয়াই থকাৰ বাসনা
আনফালে মৃত্যুৰ বিভীষিকা,
ক্ৰমাৎ অন্ধকাৰে ছানি ধৰিছে
এটাৰ পিছত এটাক,
সেয়ে ভয়ৰ কৰাল গ্ৰাসত বন্দী।
জীৱনৰ নো ভৰষা কিমান?
আজি হেজাৰ প্ৰশ্নই বুকুত খুন্দিয়াইছে,
সেই লৈ ভয়ৰ দোলোনাত আবদ্ধ, জীৱন শৈলী।
ত্ৰাসৰ সৃষ্টি কৰা মহামাৰীত
সমগ্ৰ বিশ্বৰ চকুত চকুলো
কোনো উত্তৰ পোৱা নাই
উপায়হীনতাৰ মেৰ ঘৰত বন্দী সমগ্ৰ দেশ,
মাথো ভয় , শংকাৰ উৎপীড়নত
মৰ্মাহত জীৱনৰ গতিপথ।
শুই পৰা পৃথিৱীয়ে নিদ্ৰা পৰিহাৰ কৰি
সম্পূৰ্ণ নিকা হৈ উঠক, কৰ্মোদ্যামেৰে
জাকত জিলিকা হৈ উঠক সমগ্ৰ ধৰিত্ৰী।

# জাগা চৰুৱা জাগা

আজম আলী পৰামানিক
বৰপেটা

জাগা চৰুৱা জাগা
নিজক উজাৰি দিয়া
আইৰ সংকট কালত
অমল সন্তান ৰূপে
নিজক থাপিত কৰা।
"ঘৰে ঘৰে শিক্ষা" অভিযান
আত্মাৰে আঁকোৱালি লোৱা
নৱ প্ৰজন্মক সঠিক পথেৰে
সপোনৰ দুৱাৰ ডলিলৈ
আগবঢ়াই লোৱা।

অবিশ্ৰান্ত পৰিশ্ৰমেৰে
অভীষ্ট ফল আজুৰি লোৱা
সু-শিক্ষাৰে শিক্ষিত কৰি সন্তানক
শিক্ষাৰ আভা বিলোৱা।
কৰিলে নাৰী শিক্ষা সবলীকৰণ
হ'ব সমাজ সংস্কাৰ
দূৰ হ'ব অন্ধবিশ্বাস
নাথাকিব কু-সংস্কাৰ।

বাল্য বিবাহ বন্ধ কৰা
জন্ম নিয়ন্ত্ৰণ কৰি
জনসংখ্যাৰ ভাৰসাম্য
ৰক্ষা কৰা
আই আজি মহা সংকটত
আইক ৰক্ষা কৰা।
সময় থাকোঁতে নিদ্ৰা ভাঙা
জাগ্ৰত কৰি নিজকে সৰ্ব শক্তিৰে
আইৰ কলা-কৃষ্টিৰে আৱিষ্ট হোৱা
চৰুৱা হ'লেও আছে স্বাভিমান
আমি যে আইৰ অমল সন্তান।

জ্ঞানহীন নহওঁ আমি
আইক বুজিবলৈ দিয়া
আইৰ কোলাত বহি
সেউজ বিপ্লৱৰ সূচনা কৰা।
স্ৰজিব লাগিব সেউজীয়া ধৰণী
চৰৰ বালিময় বুকুত,
সেয়ে নিজক অৰ্পণ কৰা
উজলাবলৈ আইৰ মান
আমি যে আইৰ অমল সন্তান
জাগা চৰুৱা জাগা।

# হে নাৰী তুমি অনন্যা

বাসন্তী দাস
তেজপুৰ

হে নাৰী তোমাক প্ৰণাম
নাৰী তুমি যে অনন্যা
তুমি পতিব্ৰতা
সৃষ্টিৰ আদি তুমি মহিমাময়ী।
তুমি প্ৰেৰণা দায়িনী
সহনশীলা, মমতাময়ী
তুমি ছলনাময়ীও
সৃষ্টিৰ কাৰণ তুমি
ধ্বংসও তুমিয়ে কৰিব পাৰা
বসুধা বিপৰীত মুখী বিভূষণ তোমাৰ
ওৰণিৰ আঁৰত লুকাই থাকে
তোমাৰ ব্যক্তিত্ব সকলো বেদনা সহি
বিনিময় নিবিচাৰি
নিতৌ বিলাই দিয়া নিঃস্বাৰ্থ মৰম
ধূপৰ দৰেই নীৰৱে সুবাস বিলাই দিয়া
তোমাৰ আৱেগ, অনুভূতি, হেঁপাহবোৰ,
কাৰণ তুমি যে প্ৰকৃতি
নাৰী অনন্যা।

# দুখৰ ৰজনীত সুখৰ পুৰতি বিচাৰি

স্বৰ্গজ্যোতি চেতিয়া
বৰবাৰী, গুৱাহাটী

দুখৰ ৰজনীত সুখৰ পুৰতি বিচাৰি
বাউলী হৈ ফুৰা মনৰ অনুভৱত তুমি, কেৱল তুমি।
সুখৰ জালিকটা ৰ'দৰ কুঁহুমীয়া কোলাত বহি
হাঁহি হাঁহি পাৰ কৰা মধুময় ক্ষণটিত
মোৰ চৌপাশে পাৰিজাত ফুলিছিল।

স্বাৰ্থপৰ ভোমোৰা বোৰে
মিঠা গুঞ্জন তুলি
চৌপাশ আগুৰি ধৰোতে
মন গহ্বৰত মোৰ
অহংকাৰী ঢৌ উঠিছিল।

এতিয়া দুৰ্ভিক্ষৰ পিৰালিত মোৰ
কঙাল মৰুভূমি
সুখৰ ভাগ বটৰা কৰা ভোমোৰা জাক
উৰি গ'ল দুপাখি মেলি।

# জীৱন অধ্যায়

প্ৰণৱ মৰাং
লখিমপুৰ

তুমি অহা বতাহজাকতে
ধূলিবোৰে ফাকু সানে;
গছবোৰেও ৰং সলাই মলিনতাৰে,
স্পষ্টতাৰ মায়াবোৰত জিলিকি উঠে
সহস্ৰ বিষাদেৰে ।

শিপাবোৰ কঁপে
শিপাবোৰে সোঁৱৰে,
মৌনতাবোৰ ঢুকিয়ালে।
বৰষুণ সৰে,
পানীও বৈ
উমাল লগা মেঘৰ গিৰগিৰণিত
মৌনতাবোৰ সুঁৱৰে।

পদ পথো নাচে, তুমি হাঁহিলেই
উজান বজাৰৰ ডাইচ্ খেলৰ দৰে।

বিশাল আকাশৰ একোটা ছাতি,
তাতে জীয়াই জীৱনৰ বাট,
পুতৌ পুতৌলগা সপোন ঘাটে,
তাতে ৰাখে সহস্ৰ প্ৰতিঘাত।

# ভাল পাওঁ বুলিয়েই আই তোক

কুঞ্জলতা দাস
ৰঙিয়া

টপ্ টপ্ নিগৰি পৰিছিল যিদিনা
আইৰ বুকুৰ মৌ জোল
জাক জাক বতা চৰাই হুৰাই
পিতায়ে পূৰঠ কৰিছিল যেতিয়া
গাখীৰতী ধানৰ থোক,
তেতিয়াৰ পৰাইযে মই ভাল পাওঁ তোক!!
তোক ভাল পাওঁ বাবেই
উশাহ নললেও বুকুখন ভৰি থাকে,
তোক ভাল পাওঁ বাবেই
সহস্ৰ ভোমোৰাই চৌদিশে গুজৰি থাকে
তোৰেই প্ৰেমত নিৰলা-নিচলা
উৰুখা পজাঁ মোৰ
সৰগৰ ৰঙচঙী ৰহঘৰা হৈ পৰে।
তোৰ বাবেই আঁতৰি পৰে
কলিজাৰ হুমুনিয়াহ,বুকুৰ বিষাদ
তোৰ বাবেই পাহৰি পেলাওঁ
ক্লান্ত-শ্ৰান্ত দেহাৰ ঢেল-পুঙা অৱসাদ।
তই মোৰ কলিজাৰ বিননি
আত্মাৰ সুহুৰি
তই মোৰ হেপাঁহৰ
সুৰদি সুৰীয়া গান।
নপৰো-নপৰো পিছলি কেতিয়াও
সোণৰ জখলাৰে বগাইছো আকাশ
তোৰ বাবেই আত্মাৰ পৰা আত্মালৈ
প্ৰসাৰিত কৰিছো মোৰ দুয়োহাত।

# পাণিতে বাজে ৰীণা

দিলদাৰ হুছেইন
কলিয়াবৰ, নগাঁও

চাৰি পাণি তোমাৰ শক্তি
পাণিতে দেখা যায় বীণা,
পাণিৰ চেয়তে বাজে ধ্বনি
মোহিত ত্ৰিলোকৰ সৃষ্টি।

পাণিৰ স্পৰ্শত জড়-জীৱ
নাচে তোমাৰ অনুৰাগী হৈ,
পাণিহীন ক্ৰন্দন কৰে
তোমাৰ প্ৰিয় সন্তান।

পাণি অবিহনে পূৰ্ণ নহয়
তোমাৰ ধ্বনিৰ ৰাগ-তাল,
বিৰহঁত প্ৰতিপল উজাগৰে যায়
অস্তিত্বহীন হয় ধৰণী।

হে বিদ্যাদেৱী ফুল বাহনী
জল গৃহৰ ৰাণী,
তপস্যাত ধ্যান মগ্ন তুমি
বীণাই মাতিছে ধৰা দিয়াহি।

বিদ্যাদেৱী তুমি জ্ঞানী
নাম তোমাৰ “মা”সৰস্বতী,
জগত আইৰ কন্যা তুমি
স্নেহময়ী ধ্বনি তোমাৰ বীণাৰ।

ত্ৰিদেৱী তুমি গঙ্গা-লক্ষ্মী-পাৰ্বতী
বাহন তোমাৰ হংস-ময়ূৰ পক্ষী,
বসন্ত পঞ্চমীত তোমাক আৰাধনা
অৰ্ধাঙ্গিনী ব্ৰহ্মাৰ শ্ৰীসৰস্বত্যৈ নমঃ।

তোমাৰ দয়াত আলোকিত
কিতাপ কলমলৈ সন্তান,
জনম জনম ৰঞ্জিত তোমাৰ ছায়াত
অতীত-নবীন সকলো সন্তান।

জ্ঞান সংগীত শিল্পকলা বিদ্যাৰ
বুদ্ধিৰে মাতে পাণিৰ জপমালাই,
তোমাৰ পাণিৰ প্ৰতীকী পুথি
আজি জ্ঞানী সৰ্ব মানৱ জাতি।

তোমাক পূজি সন্তান তোমাৰ জ্ঞানত আলোকৰঞ্জিত,
ক’ত ৰঙৰ পুষ্প-ফল দিওঁ চৰণত
পাম বুলি জ্ঞান তোমাৰ শৰণত।

## চতুৰ্থ ভাগ

**সম্পাদনা**

জোন বৰা





# প্ৰাচীৰ

উৰ্বশীগগৈ

(১)
তুমি গঢ়ি ললা মনৰ জোখাৰে প্ৰাচীৰ
নিজৰাই হেৰুৱালে ধাৰ।
(২)
তোমাৰ প্ৰাচীৰৰ সিপাৰে
আমাৰ বতাহ নোহোৱা ৰাতিবোৰ।
প্ৰাণৰ হাবিয়াসৰ অৱৰুদ্ধ
চেতনাৰ আৰ্তি।
(৩)
তোমাৰ প্ৰাচীৰৰ ক'তো সন্ধি নাই
কেৱল আছে
জীৱন নিৰ্বন্ধ উলংঘা কৰা
ভয়াৱহ বুৰঞ্জীৰ পাঠ টোকা।

# শেষৰো থাকে আৰম্ভণি

অনামিকা শইকীয়া
যোৰহাট

কেতিয়াবা কেতিয়াবা
ক'ৰবাত কেনেবাকৈ
এক অজান মনে উৰুৱাই নিয়ে
জীৱনৰ বাংময় বাটেৰে
কেতিয়াবা আলোকৰ দিশত
কেতিয়াবা অমানিশাৰ দিশত
থমকি ৰঁও এবাৰ, দুবাৰ
হাজাৰবাৰ
অপ্ৰত্যাশিত অনাকাংক্ষিত
অনন্যৰূপী যাযাবৰী ঠিকনাতেই
শেষ হয় অভিপ্ৰায়ৰ শেষ পদুলিতো
তথাপি বুকুত এখন তীক্ষ্ণ
তৰোৱালৰ জোং ৰাখি
যুঁজাৰ ভাগৰ নাসামৰোঁ আগদুৱাৰত।
শেষ মানে সকলো শেষ নহয়
কেতিয়াও নহয়
শেষৰ শেষতো থাকে আৰম্ভণি
য'ৰ পৰা আৰম্ভ হয়
প্ৰকৃত ৰহস্যৰ সাথৰাত্মক কাহিনী
সৃষ্টি হয় নতুন উদ্দ্যম
প্ৰষ্ফুটিত হয় আশাৰ টিপচাকি
অমানিশাৰ তমসাত
জোনাকব্যাপী।
মেঘমল্লাৰ তৰুণ মানসত
তৰাৰ চুপতি
জোনাকীৰ দেশত
এখন আকাশ দিয়াৰ কথা
দিগন্তব্যাপী
য'ত ঘৰ্ষণৰ বাবদ সৃষ্টি হ'ব সুখৰ কাঁচিয়লি
ধুমকেতুৰ দৰে খুন্দিয়াই যাব প্ৰশান্তিৰ শিঁহৰনে
জীৱনৰ অমৃত্যু বৈ যায় সময়ৰ তুলাচনীত উঠি
সৃষ্টিৰ মহাকৰ্ষণত
প্ৰণয়ৰ সুবাস বিচাৰি।

# আকাশ

ৰুমী কলিতা দত্ত
ডিব্ৰুগড়

হে আকাশ ... !
তোমাৰ বুকুতে সৃষ্টি শান্তিৰ এজাক চেঁচা বতাহ !
হে আকাশ ...তোমাৰ বুকুতে সৃষ্টি জোন-বেলি-
তৰা
ডাৱৰৰ স'তে লুকা-ভাকু খেলা।
ক্লেদময় আকাশত নিগৰি আছে শূন্যতা,
তোমাৰ বিশাল বুকুত কত কালধুমুহা, গাজনি,
বিজুলিৰ চমক।

জুয়ে পোৰা আকাশত নিশা ধাৰাসাৰ বৃষ্টি
তুমিয়ে কৰা সৃষ্টি বানপানী...
ধ্বংসৰ প্লাৱন নমাই আনি সাজি দিয়া দুখৰ সমাধি
শিলাবৃষ্টি-মহাপ্ৰলয় !

হে আকাশ...
কত কবিয়ে ৰচিছে ৰাতিৰ বুকুত এবুকু আশা ,
শুকুলা ডাৱৰৰ ভাঁজে ভাঁজে ৰামধেনুৰ ৰঙেৰে
বুলোৱা কবিতা।
পথাৰ প্ৰেমিক চহাৰ সপোন বোকাময় পথাৰ,
নিৰ্মল আকাশৰ নীলাভ বুকুত সৃষ্টি
হাজাৰ প্ৰেমৰ কবিতা ।

শুকুলা মেঘ হৈ শুৱনি কৰে আঘোণৰ পথাৰ
হেঁপাহবোৰ চিটিকি সাহস বঢ়ায় !
সেউজীয়াবোৰে সন্ধান কৰে কুসুম পাহিৰ,
বেলিটিৰ লহৰে লহৰে ৰাগ ভৈৰৱী
সমগ্ৰ আকাশ জুৰি মেটমৰা গানৰ লহৰ
কলিজা ভেদি ওলাই আছে শব্দৰ ঢল ।

# টোপ টোপ নিয়ঁৰ

নুৰ আলম আহমেদ
ধুবুৰী

ৰ'দ জিলিকা ডাৱৰৰ সংৰচনাত
মন মোৰ উতলা হ'ল
শুকুলা ঘোঁৰাত উঠি ঢাপলি মেলিলো
প্ৰেয়সীক লগত লৈ
মাজুলীত কহুঁৱাৰ লগত বেলি ফাকু খেলিবলৈ
পাখি মেলি এজাক বগলীয়ে
আকাশৰ ন সাজত
সুষমা সানিছে
আহিলা নেকি শাৰদী তুমি
জিলিৰ মাতত আহিনৰ পথাৰত
ধান পাতৰ শিখৰত নিয়ঁৰ গুজিবলৈ
মই ও জানো পুৱাৰ কুঁৰলি ঠেলি
সুৰুয উঠিলেই
নিয়ঁৰৰ সৰা মুকুতা শুকাব
মৰহা শেৱালিয়ে বেদনাত উচুপিব
তথাপিও মই গাম
টোপ টোপ নিয়ঁৰ
মাজনিশাৰ জোনাকী ক্ষণত
বকুল তলত বহি প্ৰেয়সীৰ লগত
সৰা শেৱালিৰ শুকুলা বাটত...

# এই মৰম তোমাৰ বাবে

ভোগেশ্বৰ চুতীয়া
গোগামুখ ধেমাজি

অনুৰাগে অনুৰাগে
তোমালৈ মনত পৰে
দুগালৰ সেন্দূৰিয়া বৰণ

কোন চিত্ৰকৰে তোমাক সজাইছিলে
এনে ৰূপ মোহনীয় যৌৱন।
কোঁচতে লম নে, কলিজাতে থম
জীৱনটোৱেই সপি দিবৰ মন।

পূজাৰ বেদীৰ পুষ্পাঞ্জলি
পুৰোহিতৰ পৰা খুজি আনি
তোমালৈকে সাঁচি থম...

আজি
পাৰ ভাঙে মৰমে,  আনন্দ উল্লাসে...
তোমাৰ প্ৰতিমা প্ৰতিছবিয়ে নিতৌ নাচে
মোৰ অনুভৱি হিয়াৰ দাপোনত ।।

# আমি তেনেই দুখীয়া


মিতালি গোস্বামী

দিন
জহি যোৱা সময়ৰ আমন্ত্ৰণত
বাউলি হৈ আহে ৰাতি
অন্ধৰ চকুৰ বগলী বেদনাত
থাকে জানো চিন
ৰাতি কি
কিনো দিন ?
আমি আশা কৰোঁ নক্ষত্ৰৰ
ন'ক্সা অঁকা
বহল আচ্ছাদিত এটা
শোৱনিকোঠা।
দিন আৰু ৰাতিৰ যাযাবৰী
সপোনবোৰৰ চকুত
আঁকি
আঁক্‌বাক আমাৰ জীৱনগাঁথা।
মনে নামানে মহাকাব্যৰ
জীৱন যান্ত্ৰনাত
শিখণ্ডীৰ বিলাপ
দুঃশাসনৰ ৰক্তপাত
অথবা
পাত ফলাদি ফালি পেলোৱা
জৰাসন্ধৰ দুফাল দেহৰ
শ্ৰুত কথা
সঁচা নে মিছা !
কনকলতাৰ পাঠশালাৰ পোছাকত
সেয়ে হৈ উঠে
তেজবোৰ বেছি ৰঙা,
জুইৰ অভিধা পলাশ বুলি
জয়মতীয়ে হয়তো জনাই নাছিল
সেয়ে ফাগুন চ'ত
একাকাৰ কৰি মূলাৰ
তপ্ত অসিত
হৈছিল
নাৰীৰ জয় জয়কাৰ।
কোনেও নাভাবে
সহায়ক নহ'লেহে অসহায়া
কোনোবাই বুকু পাতি
তেজ লয়।
সাহস লুকাই থাকে
জয়াৰ কিংখাপৰ ৰিহাত
কনকলতাৰ পাঠশালাৰ ইউনিফৰ্মত
আৰু মূলাগাভৰুৰ
শুভ্ৰ পোছাকৰ বিধবা বেদনাত।
অন্ধৰ অনুভৱে ঢুকি নাপায়
গাখীৰৰ পাখি থাকে নে
বগলী পনীয়া !
আমি তেনেই দুখীয়া।

# ভালপোৱাৰ সাধু

কৃষ্ণাময়ুৰী হাজৰিকা
যোৰহাট

আমাৰ মাজত
ভালপোৱাৰ সাধুটো
আৰম্ভ হোৱাৰে পৰা
বুকুৰ বিস্তীৰ্ণ বালিচৰত
এখনি ফৰিংফুটা
অৰণ্য গজি উঠিছে।
ওখ ওখ ছাঁ দিয়া গছ
ফিৰফিৰীয়া বতাহ
বনফুলৰ সুগন্ধি
আৰু...
হেঙুলীয়া বেলিৰ
মায়াময় পোহৰ
সকলোয়ে যে মোৰ
বুকুৰ আন্ধাৰ খোটালি
পোহৰাই তুলিছে ।
উদাস আবেলিত
সৰাপাত গচকি
মই আগবাঢ়ি যাওঁ
ঘূৰি চালে দেখো
আমাৰ স'তে
এআকাশ জোনাকী
সহযাত্ৰী হৈ উঠিছে।
আমাৰ মাজত
ভালপোৱাৰ সাধুটো
আৰম্ভ হোৱাৰ পৰাই...
ঠিক তেতিয়াৰ পৰাই... ।



# অতীতৰ সপোন

সাৱিত্ৰী গগৈ
শিৱসাগৰ

শীতৰ কুঁৱলি সৰা বাটেৰে
ৰান্ধনী বেলি চিকিমিকি পোহৰে
মোক ৰিঙিয়াই মাতি নিয়ে সৌ অতীতৰ বাকৰিলে ।।
সঁচাকৈয়ে অতীতৰ সুগন্ধি ফুলৰ সুবাসে মোক বৰ্তমানৰ প্ৰতিটো
মুহূৰ্ততে অশ্ৰুৰ জোৱাৰ আনে।।
খিৰিকী ফাঁকে ফাঁকে ধেমালি
উপভোগ কৰা ইতিহাস ৰচা দিনৰ
গছৰ তলত বহি অন্তৰঙ্গৰ বন্ধুত্ব বাৰ্তালাপ কৰা।।
সঁচাকৈয়ে আজি ইমান ব্যস্ততাৰ মাজতো অনুভৱ হয় কিয় ... ?
আকৌ ঘূৰাই পাম জানো সেই অতীত।।
পামনে আকৌ মুক্ত আকাশ মুক্ত
পৃথিৱীৰ পুনৰ অনুভৱ কৰিবলৈ
নিজকে প্ৰশ্ন হয় ... ?
সৰি পৰা গছৰ পাত জানো দেখিছা আকৌ সজীৱ হোৱা
নিশ্চয় হোৱা নাই দেখা ... ?
সঁচাকৈয়ে ঠিক যিদৰে ঘড়ীৰ কাটাৰ সদায় আগবাঢ়ি যায়...
ঠিক তেনেদৰে সময়ৰ ওচৰত আজি সময় নাই আকৌ ওভতি
চাবলৈ... ???


# চিন্তা

হিমাজ্যোতি তালুকদাৰ

চিন্তাবোৰ চিন্তা কৰি বহি আছোঁ
চিন্তাই মগজু ফালি চিঞৰিব খোজে
অথচ
মুখত নাছিল কথা
লিখিব পৰা নাছিলো ভাষা

তলমূৰা হৈ বহি থাকোঁ বহুপৰ
চিন্তাবোৰ ক'ৰ পৰা নি ক'ত থওঁ
সময়ো যে আছে কোৱেৰান্টাইন হৈ
ক'ত পাওঁ আশ্ৰয়স্থান

চিন্তাবোৰ হেনো
মগজু ভাগৰি পৰাৰ নীৰৱ প্ৰতিবাদ হে...



# তোমাকেই যে ভাল পাওঁ

সোনাৰাম ৰাজবংশী

আজি মুকলিকৈ
তোমাক ভাল পোৱাৰ
প্ৰস্তাৱ দিম... !

ভাল পোৱা আৰু ভাল ল'গা
তোমাক ল'গ পোৱাৰ পাছত
কথাষাৰ ময়েই কম বুলি
ভাৱিছিলোঁ... !

দুৰ্বলতা... !!
আচলতে কাৰ হ'ব পাৰে.. ?
এই যে আমি কথা পাতো.. ।
ভাল লাগে জানা
মোৰতো বহুত ভাল লাগে
তুমি যে আপত্তি নকৰা.. ।
আৰু...
এটা কথা
তুমি জানানে ?
মই অলপ কষ্ট পাওঁ
কথা পাতি থকাৰ সময়ত
তোমাৰ লগতে অন্য
এজনৰ কথাও উলিয়ালে ।।
আজি ক'লো দেই...

একেবাৰে স্পষ্টকৈ কৈছোঁ
তুমি অকল মোৰ লগতেই
কথা পাতিবা.. !!
হয়তো কব পাৰা
মোক বৰ ছেল্ফিছ বুলি
তোমাক ভাল পাবলৈ
যদি হ'ব লাগে ছেল্ফিছ
কথা নাই

হৈ যাম দিয়া..
তেনেকুৱাই কিবা এটা.. ।।

হয়তো সুধিব পাৰা তুমি.. !
ভাল পোৱা বা ভাল লগাৰ
সম্পৰ্কই কিমান বাট
অতিক্ৰম কৰিব.. ?
মই হ'লে আজিয়েই
লিখি দিব নোৱাৰিম.. !!

তুমি সুধিবা..
মই ক'ম..
ভাল পোৱাৰ বাটেৰেই
আগুৱাই যাম
বাট শেষ নোহোৱালৈ.... ।।
এটি গীতৰ কলিকেই
দুয়ো গুণগুণাম..
ভাল পোৱাৰ গীত
ভাল লগা গীত........ ।।
“বাৰে বাৰে ভাল পোৱা
চকুতে চকু থোৱা
অভিমান সামৰি
তুমি মাথোঁ মোৰ হোৱা..... !

**পঞ্চম ভাগ**

**সম্পাদনা**

ঊষামণি শইকীয়া



# ব'হাগৰ সজ্জা

দীপাঞ্জলি চেতিয়া গগৈ
যোৰহাট

কোনে আঁকি দিলে তোমাৰ সুঠাম
অংগৰাজত ব'হাগৰ লাৱণ্যতা,
কপৌ, কেতেকী, নাহৰ, তগৰৰ
সুবিন্যাসেই আনে নেকি
ব'হাগৰ সৌন্দৰ্য্যময় কমনীয়তা,
হেঙুল-হাইতাল ৰঙে চৰা
গোলাপী ওঁঠৰ উজ্জ্বল কোমলতা,
জেতুকা পাতৰ ৰঙেৰে
অংগহাৰৰ মোহনীয় লালিত্যতা,
তুমিয়েই নেকি ব'হাগ, দেহ প্ৰাণ শীতলাই
তোলা কুলিৰ ওঁঠৰ বাঁহীটিত যে উৎফুল্ল হোৱা ,
তুমিয়েই নেকি ব'হাগ,
কেতেকীৰ হিয়াভগা মাততো জোনাক সিঁচি পুৱাতে যে হোৱা সেন্দূৰীয়া,
তুমিয়েই নেকি ব'হাগ,
বিৰিখেও নসাজে নিজক সজায় তোলাৰ যে অফুৰন্ত প্ৰয়াস,
তুমিয়েই নেকি ব'হাগ,
কামনা বাসনাৰে সেউজ ভূমিত যে অনুৰঞ্জনে ৰঞ্জিত কৰা,
মই ব'হাগক দুবাহুৰে চুই চাব খোজোঁ,
কিমান অনুভূতিপ্ৰৱণ হ'লে
মই ব'হাগক প্ৰেমেৰে আলিংগন কৰিব পাৰোঁ,
ব'হাগৰ সুগন্ধিত সুষমাত
মোৰ সমগ্ৰ সত্বাত
ৰঙে চৰা তটিনীৰ লয়লাস,
ঢোল, পেঁপাৰ মাতে পুলকিত কৰি ৰখা
মন-আত্মা বোৰত জাগে নব্য ৰঙীন চেতনা,
দুটি সেউজীয়া কোমল পাতত
ব'হাগৰ চানেকিয়া দাপোনত বাঁহীটিও হয় সুৰীয়া,
দুৰন্ত মনৰ ৰঙীন ভাৱাবেগত বসন্তৰ ছন্দৰ
হাজাৰ টৌত মনৰ অনুভূতিত জাগ্ৰত হোৱা

সাগৰ সম প্ৰেম আৰু ঐক্যৰ বান্ধোন হওক
নিকপকপীয়া,
জাতিৰ দাপোণ স্বৰূপ ব'হাগৰ যেন
এইয়া সুবদন অংগসজ্জা,
ব'হাগেই আনে শ্ৰেষ্ঠ ঋতুৰ মাধুৰ্য্যতা,
ব'হাগৰ ৰং হওক সূৰুয সেন্দূৰীয়া,
ব'হাগৰ ৰং হওক জোনাকৰ চন্দ্ৰমা,
ব'হাগৰ ৰং হওক সপোন সুৰম্য
সৌন্দৰ্য্য সুৱাসি অনন্য উৎস,
ব'হাগৰ ৰং হওক জীৱনক ৰঙীন সাজোনেৰে সজায়
তোলাৰ মাদকতাৰে পূৰ্ণ সেউজ প্ৰৱণতা...



# আমি শব্দৰে খেলোঁ আহা

ময়েজ উদ্দিন আহমেদ

প্ৰেম প্ৰেম সকলোৱে কৰে
আমি বেলেগ কৰোঁ আহা,
অন্তৰ, ভঙা বস্তু নহয়
কথা দিওঁ কোনেও অন্তৰ লৈ নেখেলোঁ
ধেমালিতে নাভাঙোঁ কাৰো মন ।
শব্দৰে মালা গাঁথি
দুয়ো একে বান্ধোনত বান্ধ খাওঁ আহা।
খেলৰ সামগ্ৰী?
তুমি এটা শব্দ দিয়া, মই এটা শব্দ দিম
দুয়োৰে মনে মিলা কৈ এটা বাক্য সাজিম।
নাথাকিব কোনো কৃত্ৰিমতা, মিছা আশ্বাস
কেৱল মনৰ অনুভূতি, সচাঁ মৰমৰ প্ৰলেপ
এজনৰ শব্দই পূৰাব আনজনৰ অভাৱ,অভিযোগ ।

আমি শব্দৰে খেলা কৰা মানুহ
বুজি নাপাওঁ অন্তৰৰ লগতো যে খেলিব পাৰি
মৰম বিলাব পাৰোঁ, নোৱাৰো দিব অন্তৰ ভঙাৰ দুখ,
তাকেই কৈছোঁ...
আহা আমি শব্দৰে খেলোঁ ।

# স্বাধীন সত্তাৰ উচুপনি

গীতা দাস মালাকাৰ
গুৱাহাটী (লক্ষেশ্বৰ)

মোৰ দেশত স্বাধীন সত্তাৰ উচুপনি।
বৰ বৰ মানুহৰ বৰ পেৰাত বন্দী
সৰু সৰু মানুহৰ মুক্ত কণ্ঠ
আৰু
দুবাহুৰ শক্তি।
তেন্তে সিহঁতক
স্বাধীন দেশৰ নাগৰিক বোলাৰ
আছে জানো কিবা যুক্তি?
স্বাধীনতাৰ সাতোটি দশক অতিক্ৰম কৰিও
পৰাধীনতাৰ বোজা বুকুত বান্ধি লৈ
বিচাৰি ফুৰিছো মোৰ দেশৰ
স্বাধীনতাৰ অস্তিত্ব।
স্বাধীনতা নামৰ অলঙ্কাৰ পিন্ধও
উশাহ নিশাহতো
পৰাধীনতাৰ শিকলি
ডিঙিত মেৰিয়াই
উচুপি উচুপি কান্দিছে
মোৰ দেশৰ স্বাধীন সত্তাই।
মোৰ দেশৰ স্বাধীন সত্তাই।।

# কলিজা ফলা উদং জেপটো

বুলমণি বৰি

মঙ্গল উৰুলিৰে সমাগত সন্ধিয়াৰ
এটি প্ৰাৰ্থনা লৈ
যৌৱনৰ সমস্ত সৌন্দৰ্য্যতাৰে তাই আহিছিল
মৰমৰ ভিক্ষা মাগিবলৈ
জীৱন গঢ়াৰ মহেন্দ্ৰ ক্ষণত
চকুৰ পতা জপাই এঘুমটি টোপনি যাবলৈ ।
এবুকু মৰম আৰু ভালপোৱা থাকিও
মনৰ দুৱাৰত তলা বন্ধ কৰি
প্ৰতাৰকৰ আসনত বহি
বুকুৰ জপনা খুলি
তাইক আগুৱাই দিছিলো
তাইৰ ঘৰৰ পদূলিলৈ ।
ইতিমধ্যে
দপদপ কৈ জ্বলি থকা হোমৰ জুইত
আহি বহিছিল তাইৰ দৰা
আয়তীৰ উৰুলিত মোৰ বুকু ভাঙিছিল
টপ টপ কৈ চকুলো পেলাই
আনৰ হাতত তাইক গতাবলৈ
ময়ো আছিলো তাইৰ বিয়াৰ অতিথি হৈ ।
তাইৰ দুচকুৰে মোক বাৰে বাৰে সুধিছিল
তাইৰ মৰমক মই অৱহেলা কৰাৰ কথা
দীঘলকৈ ওৰণি টানি চকুহাল হেৰাই গৈছিল
মোৰ কলিজা ফালিছিল
মোৰ সেই উদং জেপটোৱে ।
আজিও দেখিছো
তাইৰ শিৰত উজ্জ্বলি উঠা
ৰঙা সেন্দূৰৰ ভিতৰৰ দুখৰ পৃথিৱী
তাই একুৰা জুই হৈ জ্বলি আছে
আৰু মই
সেই জুইৰ ফিৰিঙতিত ক্ৰমান্বয়ে ভস্ম হৈছোঁ ।

# বসন্তৰ আগমন

মিতালী বৰুৱা

নিৰ্জনতাৰ বোকোচা
কেইটামান বাগৰ সলাই লৈ
থৰ থৰ কৰি শৰীৰ কপোৱা শীতে
যেতিয়া মেলানি মাগে,
তেতিয়াই নীৰৱে আগমন ঘটে বসন্তৰ।
গছ-বিৰিখত কুঁহিপাত মেলি
সেউজীয়াৰ ফাঁকু ছটিয়াই
নানা ৰঙী ফুলেৰে
প্ৰকৃতিখন জকমকাই
নীলিম আকাশত চৰাই - চিৰিকটিৰ
সুৰদী গীতে আদৰণি জনায়
বসন্তক।
বসন্তৰ আগমনে
প্ৰকৃতি নৱ যৌৱনপ্ৰাপ্ত হৈ উদ্ভাসিত হয়।
প্ৰকৃতিয়ে নৱ যৌৱন পাই
জীপাল হৈ উঠে ধৰাৰ বুকুত।
কুলিৰ মৌ বৰষাৰ মিঠা মাতত
মতলীয়া হয় শুকান লঠঙা
গছ লতিকাবোৰ
মতলীয়া হয় এঘাৰটা মাহে শুই থকা
কপৌ ফুল জুপি ।
তাঁতৰ পাতত বহি
জীয়াৰী-বোৱাৰীৰ হাতৰ
মাকোৰ মাতে
ঘৰে ঘৰে শুনা
ঢেঁকীৰ মাতে
গাঁৱে-ভূঞে ঢোল, পেঁপা, গগণাৰ মাতে
সকলোকে জনাই দিয়ে
বসন্তৰ আগমন
বসন্তৰ পৰশতে সাৰ  পাই উঠে
কাৰোবাৰ সপোনবোৰ
কাৰোবাৰ আশাবোৰ
কাৰোবাৰ স্মৃতিবোৰ
আস!  কি যে মধুৰ এই ব'হাগ ।।

# সমীৰণ তোমালৈ একলম

সুপ্ৰিয়া গোঁহাই সোণোৱাল
মৰাণ, ডিব্ৰুগড়

তুমি ভাবানে কেতিয়াবা
আমাৰ মাজৰ কথাবোৰৰ
নুবুজাবোৰ নুবুজা হৈয়ে ৰ'ল
বুজাবোৰ অস্তগামী সূৰুজ হ'ল!

প্ৰতিশ্ৰুতিবোৰ যে প্ৰতিশ্ৰুতি হৈয়ে ৰ'ল
বুজা নুবুজা কথাবোৰ প্ৰতিধ্বনিত অনুৰণিত হৈয়ে ৰ'ল
সময়ৰ গতিশীলতাত আকাংক্ষিত ভাৱনাবোৰে
লুকা-ভাকু খেল খেলিয়েই ৰ'ল।

কোৱাচোন সমীৰণ
আঙুলি মূৰৰ সেন্দূৰকণৰ বিপৰীতে
জীৱন সঙ্গীনিৰ হেঁপাহ অধিকাৰবোৰৰ
ভুল ক'ত হ'ল?

জীৱন বুলি ভবাজনৰ
অৱহেলাৰ মুখ ভেঙুচালিত
জীৱনে জী থকাৰ
সুযোগকণনো আছে ক'ত?

পাৰিছাই যদি থাকিব আঁতৰি
মাথোঁ মোৰ হোৱাৰ অনুভৱক সাবটি
থাকা তুমি সুখী হৈ নিজৰ পৃথিৱীত
মন গ'লে চাবা মোৰ সেন্দূৰত তুমি আছানে জিলিকি!!

# জখলা

পল্লৱ বৰুৱা
দেওমৰনৈ, দৰং

সকলোকে এডাল জখলা লাগে
চাপৰৰ পৰা ওখলৈ
ওখৰ পৰা আৰু ওখলৈ
বগুৰাবাবলৈ
সকলোকে এডাল জখলা লাগে... !

বাৰীৰ তামোল জুপিৰ পৰা
তামোল এথোক পৰাৰ পৰা আৰম্ভ কৰি
নাৰিকল গছৰ বৌখা চিকুনোৱালৈকে
সকলোকে এডাল জখলা লাগে...।

চোতালৰ আগ ভাগ ছায়াঘন কৰি ৰখা
পদূলি মুখৰ তেঁতেলী জোপাৰ
ডালপাত কাটিবলৈ যিদৰে এডাল
জখলাৰ প্ৰয়োজন
কাকিনি তামোলজোপাত বগোৱা
পাণ গছডালৰ পৰা
এখিলা পাণ চিঙিবলৈকো
এডাল জখলাৰ প্ৰয়োজন...।
জখলাই খৰিকটীয়াৰ চৌকাত
জুই জ্বলায়
জখলাৰ সুবাদত মিস্ত্ৰীয়ে
ঘৰৰ ওপৰত ঘৰ বনায়..।
গছৰ খোৰোঙত শৈশৰ ওমলা
ভাটৌজনীকো জখলায়ে আনি
পিঞ্জৰাত ভৰায়
ধেমালিৰ একোবত
ঘৰৰ মূধচত লাগি ধৰা
খেলনা বলটো আনি
শিশুটিক নিচুকাবলৈ
জখলাৰেই প্ৰয়োজন হয়...।
গানৰ সভাতো জখলাৰ বহু কাম
বঁটাবাহনেৰে উজলি
হাজাৰৰ ভিতৰৰ এজন হ'বলৈও
জখলাই ধন্য কৰে বহু নাম..।
জখলাৰ ঢাপত বগুৰা বাই
ৰজাও হয় বহুজন
সাহিত্য সংস্কৃতিৰ পথাৰতো
মূৰ দাঙিবলৈ জখলাৰ বৰ প্ৰয়োজন..।
লুডু খেলৰ জখলাত উঠিলে যিদৰে
একেকোবে শতকৰ ঘৰ চুব পাৰি
সুযোগ বুজি মজবুত জখলাত
ভৰি থব পাৰিলে একে ৰাতিতেই
জনপ্ৰিয়তাৰে আকাশ চুব পাৰি...।

সেয়ে
বাহিৰে ভিতৰে সকলোতে
জখলাৰ বৰ কদৰ
পিছে
জখলাত বগুৰা বাই
সমাদৰ বুটলিবলৈ হ'লে
জখলাকো কৰিব লাগিব
সমানে আদৰ ...।

# এমুঠি সুখ

সুশান্ত দাস
গৌৰীসাগৰ শিৱসাগৰ

সুখৰ সংজ্ঞা বিচাৰি বিচাৰি
অশাশ্বত ক্ষণৰ সুখবোৰ সামৰি,
জীৱন বীণাৰ বেতাল তানত
নৃত্যৰতা মই আৰু সকলো প্ৰহৰী।।
অৱশ্যম্ভাৱী অদৃষ্টৰ লেখন
কেতিয়াও যেন নহয় খণ্ডন,
অশনিৰ পোহৰে ৰুদ্ধ কৰে
সুখৰ সন্ধানত মানৱী জীৱন।।
সুখ-দুখৰ অলেখ ভাবনা
পোৱাৰ আনন্দ; হেৰুৱাৰ বেদনা,
মৃত্যু আহি পাইছে নিকট
নিষ্প্ৰভ নিশাৰ বিষম অনুভৱ।।
জীৱন তৰ্জুত জুখিছে সুখ
এমুঠি দুখ ; এমুঠি সুখ,
সুখৰ সন্ধান অব্যাহত যেন
দুখৰ বনানীত সুখৰ পোক।।
তড়িৎ গতিৰে বৈছে জীৱন
কলিৰ যুগত সাৱধানীৰ মৰণ,
অশাশ্বত ক্ষণৰ ক্ষণস্থায়ী সুখ
জীৱন তৰ্জুত তৰহৰ দুখ।।
জীৱনৰ অৰ্থক তাচ্ছিল্য কৰি
তন্ময় মনত তন্দ্ৰা সানি,
সুখৰ দৰদাম কৰোঁতে আজি
অধিক মাছত কণা বগলী আমি।।
অলীক কল্পনাৰ ৰহণ সানি
নীৰৱ দৰ্শক মানৱ আমি,
অলীক সপোনৰ পম খেদি খেদি
জীৱনৰ তৃষ্ণা সুখক বিচাৰি।।
ত্যাজ্য জীৱন; দুখেই কাৰণ
ত্যক্ত সুখক সাবটিবৰ মন,
মনৰ তোষামোদ কৰি প্ৰত্যাখ্যান
ত্বৰিত গতিৰে গাম জীৱনৰ গান।।
অশেষ কষ্টৰ শ্ৰমৰ অন্তত
তৰ্জুত উঠিল সুখৰ ফাল,
নিক্ষিপ্ত জীৱনক বুকুত সাবটি
সুখৰ তুৰগৰ পিঠিত উঠি,
পালোঁ মই সেই সুখৰ সন্ধান।।
দাপোণত উজ্জ্বলিল সুখৰ মুখ
দুখৰ পাছত সুখৰ ভোগ,
সুধীৰ বাক্য এনেয়ে নহয়
সঁচাই পালোঁ মই এমুঠি সুখ।।

# মধ্যবিত্তৰ জীৱন

মিতুমণি চেতিয়া
পাটাছাৰকুছি, বজালী

আয়ে সাঁচি থৈছিল সপোনবোৰ,
আজোককাৰ দিনৰে বৰপেৰাটোত
জীৱনটোৰ বাবে !
থান-বান হৈ যাব ধৰা সপোনবোৰক চিজিল লগাই সযতনে
জাপি থৈছিল আয়ে।

কেতিয়াবা মেলি চাওঁ সাঁচতীয়া সপোনবোৰক
জানোচা উৰলি গৈছে
অথবা কুটি - কুটি খাইছে আপদীয়া পোকবোৰে মোৰ
সপোনবোৰক ?

মোৰ সপোন তেনেই তাকৰ !
মধ্যবিত্তৰ জীৱন,
তাকৰীয়া সপোনবোৰো আকৌ পাখি গজে,
উৰি যায় নীলিম সীমনা লৈ।

তাকৰীয়া সপোনৰ ঠুনুকা আশাৰ ছবি আঁকি
পিতাই এদিন ভাগৰি পৰিল;
আইৰ সপোনবোৰো খহি পৰিল পপীয়া তৰা হৈ !
খেতিয়ক পিতাইৰ ৰুগ্ন দেহৰ শীৰ্ণ হাততেই হাত থলোঁ,
আগুৱাই যোৱাৰ সংকল্পৰে;
পিতাইৰ আধা জীৱনৰ লগৰী নাঙলৰ মুঠিতে শিঁকিলো ন-
সপোন দেখিবলৈ।
মোৰ সপোন তেনেই তাকৰ,
মধ্যবিত্তৰ জীৱন।

# বসন্ত

কবিতা তালুকদাৰ
পাঞ্জাবাৰী, গুৱাহাটী

মোৰ নাম বসন্ত
ঋতুৰাজ বসন্তৰ ন'কইনা
মই কপৌফুল
ময়ে সেই কপৌ ফুল
ৰঙীন ঋতুৰ এক চিহ্ন
আৰু জীৱন্ত প্ৰতিশ্ৰুতি।
জানা নে-
মোৰ সুবাস ইমান মিঠা
যেন এক মধুৰ শিহৰণ
পাপৰি ইমান অজস্ৰ
যেন ভোমোৰাৰ থুপ খোৱা গুঞ্জন
পাহিবোৰ ইমান কোমল
যেনে এক নৱ জাত শিশু
আৰু জানা-
মোৰ গাত আছে ফাগুনৰ বোল সনা
গোপন এক উগুল-থুগুল মন
আৰু আছে-
মোৰ গাত এক কোমল বতৰা
ধুৰুপ সুৰভিৰ দৰে কোমল
গভীৰ প্ৰেমৰ দৰে সমাহিত-এক বতৰা
ময়েই বসন্ত।
মোৰ গতি জানা
ঊষা অনিৰুদ্ধৰ দৰে
বিশালতা সাগৰ সদৃশ
স্থান মোৰ দিঠকত নাই
স্থিতি মোৰ আলাসত
সেয়েহে কোনেওঁ নাজানে
মই কেতিয়া হাঁহো
মোৰ নামেই বসন্ত
প্ৰেমিকৰ হৃদয়ত
পূৰ্বৰাগৰ সৃষ্টি কৰা
এক মনোৰম প্ৰতীক
মই পুষ্পিতা প্ৰাপ্তি
ঋতুমতী গাভৰুৰ প্ৰতীক
মই নব্য বিবাহিতা গাভৰুৰ
সেওঁতাৰ সেন্দূৰ
চঞ্চল প্ৰেমিক-প্ৰেমিকাৰ
যৌৱনৰ বতৰা কঢ়িয়াই অনা
গোপন দূত কেতেকী।

সংস্কাৰধ্বনি ফাউণ্ডেচন
Sanskardhwani Foundation

**ষষ্ঠ ভাগ**

**সম্পাদনা**

মৌচুমী ৰাজখোৱা



# ঋতুৰ ক'লাজ

তৃষ্ণা লহকৰ
গুৱাহাটী

**গ্ৰীষ্ম**
তাইৰ ঘামে ধোৱা কপালত
বিয়পি থাকে আউলি-বাউলি
কেশ বিন্যাস।
মোৰ আন্দোলিত আঙুলিৰে
পি থও তাইৰ
সলাজ হাঁহিৰ
তীব্ৰ ৰাগী লগা উশাহ।

**বৰ্ষা**
বুকুত
মেঘে মাদল কোবায়।
ছাইৰঙী আকাশখন
আছাৰ খাই পৰে
নদীৰ উত্তাল বুকুত।
ত্ৰস্ত ৰাতি সামৰি
গুজৰি থাকে
শেষ বাৰিষাৰ মেঘ।

**শৰৎ**
তোৰ যাদুকৰী পৰশত
কপাহ কোমল মেঘৰ দৰে
কঁহুৱাৰ বুকুতো উঠলি উঠে
অঘৰী সুখ।

**হেমন্ত**
তোৰ নাম ল'লেই যেন
বিষাদ এটা উজাই আহে।
প্ৰতিশ্ৰুতি আৰু প্ৰাপ্তিৰ মাজত
ডুলি থাকে পৃথিৱীৰ
আদিম কবিতা।

**শীত**
সখীয়তী ৰ'দজাক
বতাহত ওলোমাই থৈ
লঠঙা গছবোৰ
উমাল হ'ব খোজে।
ধূলিয়ৰি পাহৰৰ সিপাৰে
বাসন্তী উছাহবোৰ
এই আহোঁ এই আহোঁ কৈ
ৰৈ থাকে।

**বসন্ত**
বতাহত
প্ৰেমৰ গোন্ধ এটা
ওপঙি থাকে।
ফুটুকী হৰিণীৰ চঞ্চলতাৰে
জীৱন এতিয়া গুলজাৰ।

# শোক কবিতা

প্ৰকৃতি নাজিৰ
যোৰহাট

পৃথিৱীৰ আটাইতকৈ শোকৰ কবিতাটো লিখোঁতেও
কবিৰ সমুখত আছিল এপিয়লা সুৰা
অথবা এটা আধা জ্বলা চিগাৰেট
আটাইতকৈ যাতনাময় ছবিখন অঁকাৰ আগত
চিত্ৰকৰে চোবাইছিল এক প্লেট ভজা ভেড়াৰ মঙহ
আটাইতকৈ দামী কেমেৰাটোৰে তোলা হয়
শিশুৰ জকজককৈ ওলোৱা বুকুৰ হাড়ৰ ফটো
পোৰা মাছ ঢেঁকীয়াৰে একাহী ভাত খাই
সিঁহতৰ গাঁথা লিখা কবিক শৰবিদ্ধ নকৰিব
সিহঁতৰ কাহিনী লিখা বৰ দৰকাৰী
আচলতে সিহঁত আছিল একোটা
কবিতা, গল্প অথবা উপন্যাসৰ বিষয়
পাঁচ হেজাৰ যোজন বাট বুলি
তিলে তিলে ক্ষয় হ'বলৈ ওলোৱা বৰ সাহসিক চৰিত্ৰ
ক'লা ক'লা আলকতৰাৰ বাটে সিহঁতৰ ভৰি খান্দে
ৰ'দে পোৰা উশাহেৰে গধুৰ বতাহ
বাটে বাটে গা ভাৰী তিৰোতা পোৱাতী হয়
তেজৰঙা গৰ্ভদ্বাৰ দুহাতেৰে মচি
বুকুত বান্ধি লয় পেন্দুকণা মানুহ
সিহঁত বাটে বাটে মৰে, থিয়ৈ থিয়ৈ মৰে, টোপনিত মৰে
সিঁচৰতি হৈ পৰা সিহঁতৰ দেই যোৱা ৰুটিবোৰ
আন এটা কবিতাৰ চৰিত্ৰ হয়
পৃথিৱীৰ আটাইতকৈ প্ৰাণপূৰ্ণ সাহিত্যৰ চৰিত্ৰ সিহঁত
সিহঁতৰ বাবেই কবিয়ে বুজে ক্ষুধাৰ আগুণ বৰ ভয়ানক
সিহঁতৰ জংগমে জিকে যুগ, সিহঁত আছে বাবেই
আছে মানৱতাবাদী সাহিত্য সম্ভাৰ
সিহঁতৰ বাবেই উৰে ৰঙা পতাকাবোৰ।
সিহঁত ঘৰখন পালেগৈনে নাই সেয়া খবৰ নহয়
সিহঁত কোনোদিনে নাছিল তেজ অথবা মঙহ
কালি অথবা আজি
সিহঁত হ'ল সাহিত্যৰ পাতে পাতে খাজ খাই ৰোৱা
কিছুমান অভগন চৰিত্ৰ
কবিৰ ভৰাপেটে ভোক ঢুকি পাওক বা নাপাওক
সিহঁতৰ কাহিনী লিখা বৰ দৰকাৰী

# ঈশ্বৰ

মনালিছা শৰ্মা, গুৱাহাটী

কথাযাৰ ক'ত জানো শিপাইছিল
বিগ্ৰহবোৰ ঈশ্বৰ
শিলৰ ঈশ্বৰ পানীৰ ঈশ্বৰ
আইৰ সান্ধ্য বন্দনাত সাৰ পোৱা ঈশ্বৰ
নিচুকনিতকৈ প্ৰাৰ্থনা সহজ
আইৰ পৰিচিত ঈশ্বৰী সাধুকথাত ভোল গৈছিল
নিউটনৰ গতিসূত্ৰ
ধ্ৰুৱক এৰি নিষ্পাপ আখৰেৰে
আমি পাঠ কৰিছিলোঁ
"নিচিনো তোমাক ক'ত আছা প্ৰভু...
আয়ে কৈছিল ঈশ্বৰৰ বহুৰূপ
(নে বহু ঈশ্বৰবাদ!)
বালিঘৰৰ ভ্ৰমত উমলি থাকোঁতে আমি নাজানিছিলো
কোনো অপাৰ্থিৱ উচ্চতাত বাস কৰিছিল নেকি ঈশ্বৰ!
নে অনন্ত শয্যাৰ পৰা উদ্ভাসি উঠা
ঈশ্বৰ কোনো হাইতাল পোহৰ!
ঈশ্বৰীয় সৃষ্টিৰ কোনখিনিত থাকে খোদ ঈশ্বৰ ?
মুঠি মুঠি বালিবোৰ সৰকি থাকোঁতেও
আমি আওঁৰাই থাকিলো সুৰম্য প্ৰাৰ্থনা
"আছা নেকি প্ৰভূ সৰগত তুমি...
গৰ্ভৱতী নাৰীৰ স্ফীত উদৰ নেকি ঈশ্বৰ
নতুবা এই দেহ গৃহত বৈ থকা ৰঙা স্ৰোত;
যি টোপনিৰ পৰা উঠি নাহে জীৱন
সেই টোপনিও কি ঈশ্বৰলৈ?
বেলিৰ দৰে পুৰাতন
কুঁহিপাতৰ দৰে নতুন
আকাৰহীন বৰ্ণহীন
বিশাল অথবা ক্ষুদ্ৰাতিক্ষুদ্ৰ;
এই গাণিতিক চক্ৰত ঘূৰ্ণীয়মান সময় নেকি ঈশ্বৰ!
স্মৃতি-বিস্মৃতি কিম্বা জ্ঞান!
"সৰ্বস্য চাহং হৃদি সন্নিৱিষ্টো
মত্তঃ স্মৃতিৰ্জ্ঞৰ্ণমপোহনং চ"
বালিঘড়ীটো এতিয়া আধালৈকে শূন্য
নেদেখা ঈশ্বৰজনাও..!!!



# সাম্প্ৰতিক

বিপুল শৰ্মা
গুৱাহাটী

মগজুৰ আঁহে-আঁহে
হৃদয়ৰ কোঁহে -কোঁহে
তেজৰ শিৰাই শিৰাই
স্বাধীনতা আছিল
উচ্চ শিৰ ভয়শূন্য হ'ব
মনে প্ৰাণে আশা আছিল
এতিয়া ভয়ত বিবৰ্ণ সময়
ওপৰৰ চাল উৰুখিছে
লুটি খাই পৰিছে চতুৰ্থ স্তম্ভ

# বাট

জোনালী মজুমদাৰ
গুৱাহাটী

আমি য'ৰপৰাই যাত্ৰা কৰোঁ
বাট এটি তাৰপৰাই আৰম্ভ হয়
এই যে,বাটে বাটে গৈ আছে বাঁহী বেচা মানুহজন
কাৰ বুকুত সী যায় জীৱনৰ সুৰ
পানীৰ বাটেৰে গুচি যায় পানীৰ জীৱন
কেতিয়াবা বাটক ভুল কৰি
ভাগৰতে মানুহে 'পৰুৱাই পোৱা' বুলি ভাবে
খলা —বমাত ভৰিৰ বিষ
পানী—ডোঙাত হঠাতে পৰি যোৱা
খোজৰ ভৰত
বুকুলৈকে পানীৰ ছিটিকণি পৰে
ভৰি কঁপে
জীৱনে বাট নুবুলে উভতি
কোনো মানুহ মৰে
কোনো মানুহ হেৰায় এই বাটতেই
সৌ পথৰ দাঁতিত বহি আছে কোন
শুকান স্তন মুখত লৈ
ইমানকৈ কান্দিছে কোলাৰ শিশুটি
চকুৰ পানীৰে নেদেখা বাট এটিয়ে
দুখ এটাক মোৰ হাড়লৈকে নিব খোজে
অন্য বাট এটাই আমালৈ চাই থাকে
কোনেনো কাৰবাবে বাট চাই চাই ৰৈ থাকে
সৰাপাতে ঢাকে বাট
কিমান নিৰ্জন এই সময়
এইমাত্ৰ ল'ৰা—ছোৱালীবোৰে
কোৰ্হাল কৰি এৰি যোৱা বাট
বতাহত কঁপি কঁপি মিলি যোৱা মাত

# ফাগুনৰ শেষত

চেমিমা হুছেইন
গুৱাহাটী


দুচকুত ফুলি উঠা
ফাগুন ফাগুন ফুল দুজোপাত
তাইৰ কামান্ধ নিশ্বাস
তাই আৰু ফাগুনৰ শুকান
পৰস্পৰৰ সামন্তৰাল ।
নৈৰ পাৰে পাৰে বলি আছে বতাহ
এই সুৰ ঠিক বাউল
ৰঙা ফুলবোৰ ফাগুনৰ শেষত চাল কোচ খাই নোহোৱা হ'ব
বগা হ'ব
এজাক বগলী হৈ উৰিব ।
আৰু
মোৰ দুভৰিত পোত যায়
সৰাপাতৰ খচমচনি
এখিলা-দুখিলাকৈ হুৰাই দিওঁ
সৰাপাতৰ শোকাকুল নিৰ্য্যাস
শেতেলিত সাচি ৰাখোঁ লেচাৰি নিছিঙা হালধীয়া সাধুকথা
ফুটুকনিৰ তলত হাতত হাত ধৰি
টুকটুক চাপৰি বাই
যখিনী সৰাহলৈ যায়
বেলি আৰু মাটিৰ সংস্পৰ্শত
ফাগুনৰ ফুলবোৰ শেষ হয়
কোনেও নজনাকৈ
কোনেও নেদেখাকৈ
ফাগুনৰ ৰঙ যদিও ৰঙা আছিল
মই দেখা শিমলু ফুলবোৰ সাইলাখ হালধীয়া

# প্ৰাপ্তি কণ্ঠ

বিশ্বজিত শইকীয়া
কাৰ্বি আংলং

এটা অনিনাদিত কণ্ঠ
পথাৰৰ নাঙলৰ সীৰলুৰ মাজেদি
নামি অহা বেলিটোত লাগি
ওলমি আছিল
মোহাৰি মাৰি পেলোৱা এটা মাত
জী উঠিছিল এটা বজ্ৰক্ষণত ,
ডিঙিত সানি লৈছিল বোকাৰ আবিৰ
এটা উৎফুল্ল চিঞৰ আৰু
ঢেৰেকনিৰ পিছৰ মৌনতা।
সমীৰে মুক্তিৰ গোন্ধ সিঁচি দিলে
বুকুত শিপাই গজি উঠিল
একোজোপা প্ৰাপ্তিৰ বাসনাবৃক্ষ।

সেই বেলিটোত ওলমি থকা
অনিনাদিত কণ্ঠটো জী উঠক
মুক্তিৰ মাত হৈ
স্বাধীনতাৰ গান হৈ
প্ৰতিটো পুৱা
প্ৰতিটো আবেলি
প্ৰতিটো সন্ধ্যা
যেতিয়া প্ৰাপ্তি দিকভ্ৰমিত হয়।



# গৈ থাকো ক'ৰবালে

মধুমিতা মহন
শিৱসাগৰ

নুমাই নোযোৱাকৈ চকুৰ চাকিত যি কণ পোহৰ
তাকে লৈ খুপি খুপি আগবাঢ়ো
ঘাতক হৈ উঠা সময়ৰ সমুখেৰে ।

গো-ধূলি বাট এটাত
লাহে লাহে
নিমাও -মাও আন্ধাৰ নামে
আকাশত এটি দুটি সন্ধ্যাৰ তৰা জ্বলে ।
জাৰণি -পিটনিবোৰৰ পৰা
ঝিলীৰ মাতবোৰ ভাহি আহে
ৰ'দৰ দিনত ৰ'দবাহী হৈ
জাৰৰ দিনৰ জাৰবাহী হৈ
দীৰ্ঘকালীন দিনবোৰৰ
অলেখ শোকগাথা সামৰি সোঁৱৰি
ৰূপান্তৰৰ ঋতু গছকি
গৈ থাকো ক'ৰবালে'
এদিন-দুদিন কৰি ।

# পৰম্পৰা

মলয় বৰুৱা
মঙলদৈ

দুখৰ নীলা মেখেলাখন বুকুত পিন্ধি
আয়ে আমাৰ মুখত গুজি দিছিল এগৰাহ সুখৰ
পইতা ভাত
পোৰা মাছ আৰু আলু পিটিকাৰ
সেই পুষ্টি পৰম্পৰা
আজি আৰু নাই
আইৰ সেই সাদৰী মাত
পিতাই শব্দৰ দুপতীয়া ছাঁত
মই জিৰাবলৈ আকুল উন্মাদ
ক'ত নিপাত হ'ল
মাটিৰ যুৰীয়া হাত
প্ৰীতিৰ পৃথিৱী যেন নিতাল নিমাত ।



# মোৰ হিয়াখন

ডাঃ মহেশ ডেকা

মোৰ হিয়া আৰৰণ
আজি কালি
সদায়েই খোলা থাকে,
কোনোবা আহি
নীৰৱে, অজানিতে
সোমাব, জিৰণি ল'ব
নিঃশব্দে;
প্ৰেম যেতিয়া পকে।

প্ৰেমৰ বাবে
হৃদয়ৰতো কোনো
বয়স নেথাকে।
মোৰ হিয়াৰ আৰৰণ
আজিকালি
সদায়েই খোলা থাকে।।

## সপ্তম ভাগ

## কাৰ্যবাহী সম্পাদক

উৎপল গোস্বামী



# আলোকিত তোমাৰ ৰূপ

জয়া শইকীয়া
গুৱাহাটী

সন্ধিয়া পাহাৰৰ সীমনাত
তোমাক দেখিলোঁ হঠাতে
গোলাকাৰ তোমাৰ আৱৰণেৰে
অস্তাচলত পশ্চিম আকাশত তুমি,
তোমাৰ সেন্দূৰীয়া ৰূপত
আপোন পাহৰা হৈ
নয়ন ভৰি পান কৰিলোঁ
ৰূপ মদিৰা তোমাৰ,
যেন তোমাক বুকুৰ মাজত
দুহাত মেলি লুকুৱাই ল'ম মই সাৱতি,
নীলা আকাশৰ বুকুত যেন
তুমি সৰগৰ দেৱতা হৈ
জিলিকি থাকা দিনত
তুমি নহলে যে কেউকাযে আন্ধাৰ,
ভিন ভিন তোমাৰ নামেৰে
তুমি প্ৰকাশিত সকলোতে
পুৱা আৰু গধূলি তোমাৰ
কোমল মিচিকিয়া হাঁহিত
হাজাৰ জনক অনুভৱী কৰি
আকৃষ্ট কৰি তোলা তুমি,
পূৱত উদয় হৈ পশ্চিমত মাৰ যোৱা
প্ৰতিদিনে পুৱা গধূলি
আকৌ অহাৰ প্ৰতিশ্ৰুতি দি
গোটেই বিশ্বজুৰি তোমাৰ আলোকেৰে
সজাই তোলা তোমাৰ শক্তিৰে।

# সোণালী আঘোণ


যুতিকা দেৱী
গুৱাহাটী

আঘোণ তুমি পথাৰৰ
আঘোণ তুমি খেতিয়কৰ
আঘোণ তুমি ভৰাঁলৰ
আঘোণ তুমি সোনালী শষ্যৰ।
তোমাক লৈ কৃষকে দেখে
নিতৌ ন-ন সপোন।
পথাৰত সোনালী সোণগুটিৰ
হালিজালি কৰা নাচোন তুমি আঘোণ।
তুমি আশা তুমি ভৰষা
তুমি চহাজীৱনৰ দাপোন।
তোমাৰ ভৰুণ পথাৰত
ৰসাল ৰবাব টেঙা লৈ দাৱনী
ৰোৱনীয়ে ভোট জলকীয়াৰ
সৈতে জিভাৰ পানী পৰা জুতি লৈ
প্ৰখৰ ৰ'দত দাঙৰী বান্ধে
আশাৰ ন-ন বীজ সিঁচে–!!
তুমি ধৰালৈ নমাই অনা শীতৰ
মৃদু আমেজ।
শীতৰ কোমল ৰ'দালিত ন-খোৱা চুঙা মিঠা খোৱাৰ মিঠা অনুভৱ তুমি!!
তোমাৰ সোনসেৰীয়া দিনত কিমানেই
যে যুগ্মজীৱনৰো পাতনি মেলে।
তোমাৰ সুঘ্ৰাণত সোনালী পথাৰত
খেতিয়কৰ বুকু মন উপচি পৰে।
পথাৰৰ ৰোৱনী দাৱনীৰ মনবোৰ
পুলকেৰে নাচি উঠে।
সোনগুটিয়ে চহাৰ ভড়াল চহকী কৰে।
আৰু ক'ত কিমান আশা–
আৰু বৰ্ণনা আছে
তোমাৰ আঘোণ–!!

# দুঃস্বপ্ন

বৰ্ণালী কটকী কলিতা
তেজপুৰ

নোকোৱাকৈ বৈ যোৱা কথাবোৰ
শুকান পাতৰ ভাজেৰে
নিগৰি গ'ল ভীমপলশ্ৰীৰ এটি সুৰ হৈ
দুপৰৰ ৰ'দত মৰহা শেৱালীৰ
উচুপনিত নিগৰিছে
সপোন ভঙাৰ গুমগুমনি
নৈ খন বৈ গৈছে
হেজাৰ কোলাহল
বুকুত লৈ
গেদীয় শিলৰ মাজত
বৈ যোৱা জীৱাশ্মই
কৈ যাব অতীতৰ, বৰ্তমানৰ।
সেউজীয়া পাহাৰখন,
বৈ যোৱা নৈখন,
উৰি ফুৰা পখীজাকে
মৌনতাৰে শুনিছে
মাজৰাতি কেতেকীৰ বিননি।
সাৰে আছো মই
সাৰে আছে বহুজন
মৌনতা সংগী...
হেঙুলীয়া সপোনত
দিনৰ জোনাকীয়ে দেখিছে
ৰাতিৰ মায়াসনা এন্ধাৰ
চাই ৰৈছো মই
চাই ৰৈছা তুমি।



# আমাৰ গৌৰৱ

গীতা চৌধুৰী
গুৱাহাটী

পৰিভ্ৰমী চৰাইৰ কোলাহল
নিজৰাৰ কুলুকুলু ধ্বনি
কাজিৰঙাৰ এশিঙীয়া গঁড়
এইয়াই আমাৰ
পৰ্যটনৰ স্থল।
দীপৰ বিলৰ নাওঁখন
চালে চকু ৰৈ যোৱা
বিলখনৰ ইপাৰ-সিপাৰ।
কি যে দৃষ্টিনন্দন
বিলৰ পাৰৰ প্ৰাকৃতিক পৰিবেশ
সকলোবোৰ হৈছে সংৰক্ষণ।
অসমৰ কামাখ্যা ধাম
ভক্তবৃন্দৰ পুণ্য থান
তেওঁৰ আশীৰ্বাদত
গৈ আছোঁ আমি আগুৱাই।
ব্ৰহ্মপুত্ৰৰ ওপৰত ৰূপউৱে
পাহাৰে-ভৈয়ামে হাইউৱে
বিজ্ঞানৰ কি যে আবিষ্কাৰ
যান্ত্ৰিকতাই কৰিছে আচাৰ্য্যকাৰ
সকলোবোৰ হৈছে জাতিস্কাৰ।
অসমৰ চাহবাগান
দৈনিক কৰে
নিবনুৱাই উপাৰ্জন
প্ৰতিদিনে হয়
আদান-প্ৰদান।
অসমৰ অভায়ৰণ্য
জাকতজিলিকা হৈ থাকিব
জগতত বিৰল।
যাদুঘৰ-তৰাঘৰ
সকলোবোৰ চমকপ্ৰদ
যুগৰ পৰিৱৰ্তন
উজনি-নামনি
বৰাক-ব্ৰহ্মপুত্ৰ
আমি থাকিম মিলিজুলি।

# শীতৰ বতৰা

চন্দনা দেৱী
তেজপুৰ

হিমচেচাঁ বতাহজাকে মোক
স্পৰ্শ কৰিলেহি
এয়াযে শীতৰ আগমন
নিশাচৰ বিহঙ্গ এটিয়ে
ডেউকা কোবাই উৰি গ'ল
হয়তো চিকাৰ বিচাৰি।
ইউক্লিপটাচ জোপাৰ পৰা
সৰি পৰা টোপ টোপ
নিয়ৰৰৰ টোপাল
চতুৰ্দ্দশীৰ জোনাকৰ স্নিগ্ধ পোহৰত
দুৰৈৰ পৰা ভাহি অহা
ঝিলিৰ কৰ্কশ শব্দ।
এৰা বহুতো শীত আহিল আৰু গ'ল
প্ৰকৃতিৰ এই নিৰন্তৰ চিৰপ্ৰবহমান সোঁত
পৰা হলে সময়বোৰ ধৰি ৰাখিব
কেইখোজমান পিছুৱাই যাব
জীবনৰ ভুল শুদ্ধৰ হিচাপ নিকাচবোৰ
অলপ হলেও সলনি কৰিব।
হেৰুৱা দিনবোৰে বিৰহি অন্তৰত
খুন্দিয়াই যেন ক'লে
জীৱন এনেদৰেই আগুৱাই যায়।
শেতেলিৰ আমেজভৰা তন্দ্ৰালু দুচকুত
শীতৰ মিঠা সোৱাদভৰা নিদ্ৰাক
আমন্ত্ৰণ জনাই
ভাবনাবিভোৰ মনক দিলোঁ সান্ত্বনা।
কৰ্মই জীৱনৰ ধৰ্ম এয়াই যে
সময়ৰ আহবান
নকৰিবা সংশয়, নুখুজিবা
সময়ৰ হিচাপ নিকাচ ।

# দেউতা

অমিয়া গগৈ
গুৱাহাটী

তোমাৰ হাতত ধৰিয়েই
এখোজ-দুখোজকৈ আগবাঢ়ি...
মৰম ভৰা আনন্দময় ,
বুকুৰ উমেৰে ভৰাই দিয়া
আলসুৱা ৰঙীন সপোনবোৰ
সোণালী বোকোছাত বান্ধি
মেলিছিলোঁ জীৱনৰ আদিপাঠ।
তুমিয়েই আছিলা
মোৰ জীৱন সজোৱাৰ
মুখ্য প্ৰেৰণা।
মই হাঁহিলে ...
তুমি হাঁহিছিলা ।
আৰু মই কান্দিলে ...
সেমেকা দুচকুৰে তুমি মোক
দিছিলা চকুলো মচি ।
তোমাৰ পৰাই লৈছিলো শিকি ..
দুখতো হাঁহি থকাৰ
এক নিখুঁত অভিনয় ।
এতিয়া...
ভাৱগধুৰ হৈ যেতিয়া মই
অস্থিৰ হৈ অকলশৰীয়া হৈ পৰো...
তেতিয়া তোমালৈ বৰকৈ...
মনত পৰে অ' দেউতা...
বৰকৈ মনত পৰে...
তোমাৰ প্ৰেৰণাতে যে মই...
ঠন ধৰি উঠিছিলোঁ ...
বসন্তত জীপাল হোৱা ...
নাহৰ পাতৰ দৰে...।

# সাউদৰ মালিতা

অনুপ অসমীয়া
তেজপুৰ

নৈৰ বুকুৰ পৰা বালিৰ পাৰত
ফুল দেখি ভাল পাওঁ,
ফুলবোৰে জোকাই
নৈৰ পাৰত মদাহী-ভঙুৰাহে যায়,
কিন্তু জানোঁ
ফুলবোৰেই চিত্ৰকৰৰ ছবি হয়
ছবিবোৰ ফুল,
ফুলবোৰেই হয় শিল্পীৰ গীত
অথবা গীতবোৰ ফুল...
ফুলে জানে ফুলবোৰেই কবিতা
লাহি পাহি মেলা বনফুলৰ মালা
যি অতীত যি অনাগত
অথবা যজ্ঞৰ যিটি ফুল ৰঙা ...
মোক নকবা কোন সদাগৰ
নিচিঙিবি তই তেজীমলাহে মই ...
নুসুধিবা কাৰ কঠিন বুকুৰ শিলত অঁকা
অনিৰুদ্ধৰ ঊষা ... ?

# একান্ত

ডঃ কৰবী গোস্বামী
গুৱাহাটী

নদীৰ বিশালতাত
একান্ত সময়
নিঃকিন মনৰ দুৱাৰ খুলি
ডুব যাওঁ
নিৰৱতাৰ মায়াময় ক্ষণত,
জীপাল কৰি জীয়ন দিও
ৰূদ্ধ সময়ত বন্দী
অনিশ্চয়তাৰ পল..।
ভৰ বাৰিষাৰ ভৰুণ নৈৰ
কথকতাত
প্ৰাণ পাই হাঁহে মন
আত্মাৰ প্ৰশান্তি।
শুভ্ৰ আকাশ
স্নিগ্ধ বতাহৰ সুবাসত
নিজকে বিচাৰি চোৱাৰ
কিযে এক মাদকতা..।
স্থিতপ্ৰজ্ঞ তৰুৰ দৰেই
যেন জী লম জীৱন
আৱৰণ খুলি
অকন মুকলি উশাহ
যেন অনুভৱ কৰিছো
উশাহৰ স্বাধীনতা..।
বোৱতী নৈৰ
গুঞ্জৰিত শব্দত
অফুৰন্ত আশাৰ
টোপোলা বান্ধি
গঢ়ি তুলিছো
বুকুৰ মাজত
দুঃসময়তো
জীয়াই থকাৰ
সোণোৱালী সৌধ।

# হৃদয়ৰ কথকতা

অঞ্জুমণি হাজৰিকা
যোৰহাট

ৰুণ্ জুণ্ বৰষুণজাক আহোঁতেই
বুকুত গুণ্ গুণায় এজাক মৌৰে।
কম্পিত ওঁঠত নৃত্যৰতা হয়
আৱেগৰ মিঠা শব্দবোৰ।

মৰম আকলুৱা হৃদয়
শব্দৰ চাৰ্তুযত উন্মাদনা হৈ উঠে;
সাবটে প্ৰাণভৰি সময়।
সুগন্ধিভৰা ভাগিৰথীত সপোন সাঁতোৰে
লয়লাসে আগবাঢ়ে জোনাক চটিয়াই
যৌৱনৰ প্ৰণয়।

অলিখিত পৃষ্ঠাবোৰত ভাৱনাই ৰং সানে
জীৱনক জীপাল কৰাৰ প্ৰয়াসত।
আশাৰ বেলিয়ে খেদে তমসাক
নিষ্কণ্টক কৰিবলৈ
বিন্ধ্যাচল যাত্ৰা।
গধুৰাচ্ছন্ন বতাহ আঁতৰিছে
মুক বধিৰ হৃদয়ত প্ৰাণসঞ্চাৰ কৰিবলৈ
চঞ্চল হৈ পৰিছে
ৰাগীলগা সময়।
ৰূপোৱালী মাছ হৈ নাচে সপোন
হৃদয়ৰ তৃষাৰ নৈত
হেপেহুৱা ঢৌ ফালি ।

# অবুজ মন

জ্যোতির্ময়ী শৰ্মা
গুৱাহাটী

(১)
গধুৰ অৱসাদগ্ৰস্ত মন
ভাঙি চূৰ মাৰ হৈ যায়
এচাটি পোহৰে বাত হেৰুৱাই
বাকৰুদ্ধ হৈ যায় নিমিষতে
জীয়াই থকাৰ মাদকতা হেৰাই
দূৰৈত শুনো পথভ্ৰস্ত পথিকৰ বিননি,
জীৱনৰ তুলুঙা নাৱৰ হেন্দোলনি,
ৰিণিকি ৰিণিকি কাণত ভাহে
মৃত্যুৰ কিৰিলি,
নাহিবি সময় অকাল মৃত্যুৰ
মনটোক আৰু নকন্দুৱাবি !!

(২)
পূৱ আকাশত বেলি লহিয়ালে
হালধীয়া ৰহনে ৰং চতিয়ালে
আশাৰ ৰেঙণিয়ে বাট দেখুৱালে
পক্ষী জাকেও আকাশত সুৰ ধ্বনি জনালে
দূৰ দিগন্তও আশাৰ বাট দেখুৱাই
নিজৰাৰ কুলু কুলু শব্দই মনত নপূৰ বজাই
সকলো আজি মতলীয়া
প্ৰকৃতিৰ ৰূপ বিনন্দীয়া,
আকৌ সূৰুযে দিশ সলাব
পক্ষীবোৰো ঘৰমুৱা হ'ব
আন্ধাৰৰ কোলাত প্ৰকৃতি শুব
সকলো নৱ সূৰুযৰ অপেক্ষাত ৰ'ব।

## অষ্টম ভাগ

**সম্পাদনা**

চবিন চন্দ্ৰ নাথ



# ব'হাগৰ প্ৰতিশ্ৰুতি

দয়ানন্দ মহন্ত
গুৱাহাটী

(১)

মদাৰ আৰু শিমলুৰ  আভাই
ৰঙিয়াল কৰা ফাগুনৰ আকাশ
পলাশে ৰঙত জেউতি চৰাইছে
নঙলামুখত ৰৈ আকাশক সুধিলোঁ
হে আকাশ!
তোমাক ইমান ধুনীয়াকৈ কোনে সজালে
এমোকোৰা হাঁহিৰে ফাগুনে ক'লে
ময়েই সজালো আকাশখন
আগলি ব'হাগৰ বতৰা দিবলৈ ।

(২)

অসমীয়াৰ প্ৰাণৰো প্ৰাণ সমন্বয়ৰ ব'হাগ
আহিছে ঋতুৰাজ বসন্তৰ লগত
বৰলুইতৰ দুয়োপাৰলৈ
ৰূপ আৰু ৰঙৰ পোহাৰ

মেলিবলৈ
হৃদয়ে হৃদয়ক চুই চাবলৈ
নৱ নৱ কৃষ্টি সৃষ্টিৰ প্ৰতিশ্ৰুতি দিবলৈ।

# জাগা জাগ্ৰত জনতা জাগা

সৰস্বতী দাস
নুমলীগড়

ইংৰাজৰ কূটনীতি ,কৌশল,শোষণ-বঞ্চনাক
মষিমূৰ কৰি জীৱন বলিদান দিয়া-
শত, শত শ্বহীদৰ অৱদান,
জাতি-ধৰ্ম,বৰ্ণ,ভাষা নিৰ্বিশেষে গঢ়ি উঠা আমাৰ দেশ।
সম্প্ৰীতিৰ এনাজৰীৰে সাজিছিল মিলনৰ সেতু,
বিভেদ সৃষ্টি কাৰী অপশক্তি হৈছিল ধৰাশায়ী ।
ৰাম-ৰহিমৰ দেশত  দবা, শঙ্খৰ শব্দ, নাম-প্ৰসংগ,
আজানৰ ধ্বনিয়ে দশোদিশ কৰিছিল পৱিত্ৰ ।
স্বাৰ্থ, ভেদাভেদ, সৰু-বৰ  আঁতৰাই সকলোকে
একতাৰ  ডোলেৰে বান্ধিছিল।
সকলো ভাষা-সম্প্ৰদায়ৰ মাজত নৱ বৈষ্ণৱ ধৰ্মৰ
প্ৰচাৰ কৰি-
সম্প্ৰীতিৰ এনাজৰীৰে অনৈক্যৰ মাজত ঐক্য
গঢ়িছিল।
মানৱ ধৰ্মৰ সোঁত বোৱাই-
ধৰ্ম,  ৰীতি-নীতি, সদাচাৰেৰে অশুভ শক্তিসমূহৰ-
অৱসান ঘটাই সমাজ সংস্কাৰ কৰি গৈছিল-
গুৰুজনাই ।
ক'ত  মহান কলা-কুশলীয়েও সংগীতৰ মাজেৰেই
কৰিছে সৃষ্টি সম্প্ৰীতিৰ এনাজৰী।

সময়ে,সময়ে স্বাৰ্থলোভী, শোষণকাৰীয়ে সিঁচে
বিভেদৰ বীজ।
সম্প্ৰীতিৰ এনাজৰীক দুৰ্বল কৰি কৰে নিজ-
স্বাৰ্থসিদ্ধি।
শ্বহীদৰ বলিদান, গুৰুজনাৰ বাণী পাহৰি–
কৰিব বিচাৰে সমাজত অশান্তিৰ সৃষ্টি,
জাগা জাগ্ৰত জনতা জাগা,
নানা জাতি-উপজাতি, ভাষা-সম্প্ৰদায়ৰ–
মিলনৰ তীৰ্থভূমিক সম্প্ৰীতিৰ এনাজৰীৰে বান্ধা ।

# আই

ভবেশ বৈশ্য
পাঞ্জাবাৰী, গুৱাহাটী

আই ঐ আই তুমি এতিয়া ক'ত
তোমাক যে দেখা নাই
আই ঐ আই তোমাৰ খৱৰ ল'বলৈকে কাৰোৰে আহৰি নাই
আই ঐ আই তোমাৰ খবৰ সুধিবলৈকে লাগে দেখো ভয় ।
আই ঐ আই মোৰ চেনেহী আই
আজি দেখো শ্যামলী কোলাত
(সীমান্ত) ঘনে ঘনে পাতিছে সাতভনীৰ হাতোৰাৰ খেল
শস্য শ্যামলা শীতলী কোলাত নিতে হয়
বন্দুক বাৰুদ আৰু ৰাজনৈতিক কাৰচাজিৰ মেল
জতুগৃহত দাবানল জ্বলে
সীমান্তৰ দানৱহঁতে অট্টহাস্য কৰে
সাতো হাত প্ৰসাৰিত কৰি
অসমীয়া বধৰ ভাওনা পাতে
শান্তিপ্ৰিয় অসমী আইৰ বুকু আজি অশান্তিৰে ভৰে
কুটুমে আজি কুটুমৰ মঙহ চিঙি খাই
প্ৰশাসনো আজি ৰাজনৈতিক হাতোৰাত বন্দী হয়
সদিচ্ছা নাই শান্তি অনাৰ
নহ'লেযে ৰাজভোগ সুৰক্ষিত নহয়
কেৱল আলোচনাৰ নামত নিগনি দৌৰৰ প্ৰতিযোগিতা হয়
তথাপি আই মোৰ চেনেহী আই
যতে আছা কুশলে থকা
জাতি উপজাতি জনজাতি পৰ্বত ভৈয়াম হিন্দু মুছলিম শিখ
খৃষ্টান বৌদ্ধ
সবে মিলি গাওঁ আহা আমি
সমন্বয়ৰ গীত
পণ লওঁ আহা
অজ্ঞাতে ভুল কৰি নিচিঙো আৰু সম্প্ৰীতিৰ এনাজৰি
অন্ধ হৈ নাভাঙো আমি সাতামপুৰুষীয়া একতাৰ বান্ধোন
গৰ্ব অহংকাৰ সকলো পাহৰি
সমভাৱ লৈ গাওঁ আহা
শান্তি জগোৱা গান বিশ্বপ্ৰেমৰ আই আমাৰ দুখিনী আই
আই তই মলিয়ন আচলেৰে
মুখ নাঢাকিবি
আমি আছোঁ তোৰ গীতকে গায় ।।

# সৃষ্টিৰ আদিম পাতনি

কল্পনা নাথ
গুৱাহাটী

হে নাৰী ! তুমিয়েইতো সৃষ্টিৰ
আদিম পাতনি।
তুলনাবিহীন, অনন্যা তুমি
শান্তিৰ জিৰণি।

লাস্যময়ী, অপৰূপা
বিশ্ব-বিমোহিনী,
লিঅ'নাৰ্ডো-ডা-ভিন্সিৰ
তুমিয়েইটো মনালিচাৰ হাঁহি।

সীতাৰ চকুলো তুমি
জয়মতীৰ অঙ্গীকাৰ,
অন্যায় ৰোধনেৰে তুমি
দুৰ্গাৰ হুংকাৰ।

সহনশীলা বসুন্ধৰা তুমি
মৰমৰ নিজৰা,
আকাশৰ উদাৰতাৰে তুমি
ত্যাগৰ প্ৰতিমা।

# আত্মোপলব্ধি

ধনেশ্বৰ মালাকাৰ
বৰসজাই, গুৱাহাটী

সৃষ্টিৰ দুবাহু সাবটি
হয়তো কেতিয়াও নাভাবো
নগ্নতাৰ কোলাত বহা বুলি ?
দুপৰৰ ৰদালিৰ বিদ্ৰূপৰ হাস্য,
টোপাল টোপাল বৰষুণৰ ক'ণা
হোলিকা দাহনৰ ধোঁৱাবোৰ
বাৰণৰ হেতু আকাশত ঘুৰে;
ধোৱাবোৰৰ যে আকাশ চুবলৈ মন
যাবলৈ দিয়া চুবলৈ দিয়া না।

গঙ্গা সৰস্বতীৰ তীৰৰ
বেদধ্বনিৰ হোমৰ ধোঁৱাত
যেতিয়া চেতনা ঘূৰাই পাব
তেতিয়া প্ৰাণত নতুন সঞ্চাৰ হব,
সুন্দৰ সৃষ্টিৰ চোতালত জানো
বিদ্বেষ আক্ৰোশ ক্ৰুঢ়তাৰ স্থান ?
নিজেই নিজক বুজিব;
নেভাবো শান্তিৰ জল
চতিয়ালেও শুদ্ধ হ'ব।

আত্মোপলব্ধি নেথাকিলে
দিনতেই তৰা দেখি
আকাশত সদায়ে ডাৱৰ থাকিব !
তৰাৰ দেশখন সৃষ্টিতেই মনোৰম
ধৰাৰ বুকুৰে দিয়ে তাত কলুষতা,
বাৰুদৰ ধোঁৱা উৰুৱাই
নৰ ৰক্তৰ ফাঁকু খেল
উলংগ উন্মাদ নৃত্যত ৰত;
প্ৰয়োজন মাথো সংযম জ্ঞান
সততা আৰু আত্মোপলব্ধি !!

# আলফুলে সাঁচি ৰাখিছোঁ

দ্বিজেন দাস
ৰাণী, কামৰূপ

সেইদিনা তুমি চকুৰ পলক
নেপেলোৱাকৈ মোলৈ চাই আছিলা;
সুধিছিলা মই তোমাক কিমান ভাল পাওঁ,
প্ৰেমৰ সিমান অংক মই নাজানো
কিমান ভাল পালে এনেকৈ চাই ৰয় কাৰোবালৈ;
মাথোঁ এটি কথাই জানো
মোৰ জীৱনৰ মাজত তুমি।
শৰতৰ স্নিগ্ধ জোনাকত
নে সোণগুটি পথাৰৰ আহত জোপাৰ তলত
শুনিবা মোৰ জীৱনৰ কৈ শেষ কৰিব নোৱাৰা হৃদয়ৰ গুণগুণনি
জীৱন গাথাই ৰোল তুলি ৰয় তোমাতেই,
সেইদিনালৈ
আলফুলে সাঁচি ৰাখিছোঁ
ৰক্ত জবা এপাহ।



# বুকুত এবুকু শব্দৰ জুই

স্বপ্নালী নাথ
পাঞ্জাবাৰী, গুৱাহাটী

শব্দৰ বুকুতে ছিটিকি পৰেহি শব্দ...
আজিকালি সকলো জনা হৈছোঁ
শিকিছোঁ জীৱন সংগ্ৰাম কি
ঘন ঘোৰ আন্ধাৰতো সন্ধান কৰিছোঁ পোহৰৰ.....
বুকুত উমি উমি জ্বলি থকা জুই কুৰা নুমোৱাব'লৈ অহৰহ
চেষ্টা কৰিছোঁ
তথাপি,কেতিয়াবা বৰ মন যায়
সৰা শেৱালি বুটলাৰ দৰে
তোমাকো আশাৰ পবিত্ৰ আঁচলেৰে ঢাকি ৰাখিব'লৈ

ভাল লগা মুহূৰ্তবোৰ যেতিয়া
এটি এটিকৈ জীৱনৰ বোৱতী নৈত
নাও এৰা দি এৰি দিওঁ
তেতিয়া কেনে লাগে জানা -
সৰ্বাংগ শৰীৰৰ পৰা যেন
খুলি পেলাইছোঁ মোৰ
জৰা জীৰ্ণ কামিজটো...
ভাব হয় আশাবোৰ যেন বৈ আছে অধীৰ হেঁপাহেৰে
নৈৰ সীমনাত
তোমাৰ বাবেই পাৰ কৰিছোঁ
কত উজাগৰী ৰাতি
এতিয়া চকুলোৰে গাঁথা মালাধাৰী
খাইছে সমগ্ৰ সময়ে কুটি কুটি
জীৱনৰ প্ৰেৰণাখিনিক সজাই পৰাই ৰাখিবানে হৃদয় ভৰাই !

# জোনাকৰ সুৰ

হেমলতা হাজৰিকা দেৱী
নগাওঁ

স্নিগ্ধ জোনাক বনত নাছিল
মনত নাছিল জোনাকৰ সুৰ
তৰাই তৰাই যেতিয়া কথা পাতিছিল
মৃদু মলয়াই ঢৌ খেলিছিল
বুকুৰ সমস্ত আৱেগ
বিলিন হৈছিল
খিৰিকি খুলি পৰ্দা ঠেলি
জোনাকৰ সাগৰ বেলি
বাঁহিৰ কাৰুণ্য সুৰে
মনৰ বেজাৰ ধোৱাই উৰে
ভিতৰি ভিতৰি অস্থিৰ মন
সময়ে তভক মাৰি ৰ'ল
স্মৃতি যদি কাৰোবাৰ সৈতে
ভগাই লবলৈ
কলিজা গছকি জীৱন
থানবান হবলৈ
আতংকত চিঞৰ ওলাই
অতীষ্টত মন ভাগৰে
চেষ্টা ক্ষতি কি হয়
মনৰ কষ্টত সম্পৰ্ক কমিল।

# সপোনৰ বালিচৰ

দিগন্ত ৰাজবংশী
মালয়বাৰী, ক্ষেত্ৰী

জীৱন নদীৰ বুকুত থকা
সপোনৰ বালিচৰ বোৰে
মাতে ৰিঙিয়াই
এটি আশাৰ ৰঙীন পোহৰেৰে
মন উজলাই।
ৰিণিকি ৰিণিকি ভাঁহি আহে বৰকৈ
জীৱনৰ মধুৰ স্মৃতিৰ গান
সুহুঁৰি বজাই কঁপি উঠে দেখোন
হৃদয়ৰ প্ৰতিডাল শব্দৰ বাণ।
কিন্তু বাধাৰ প্ৰাচীৰ বোৰে আগত
ৰৈ আছে বাৰে বাৰে হৈ ঠিয়
প্ৰবল বৰষুণে আহি মোৰ সপোনৰ বালিচৰ
সঁচাকৈ ধুই নিয়ে কিয়।

# অশ্ৰুসিক্ত নয়ন

অনিন্দিতা নাথ
গুৱাহাটী

সাৰে আছো মই
যাতনাৰ এন্ধাৰতো
তোমালৈ লৈ বাট চাই চাই
নিশাৰ এন্ধাৰৰ স'তে
প্ৰণয়ৰ গভীৰক গাঠিছো
সাবটিছো  তোমাৰ
সীমাহীন নৈৰাশ্যক
ঢাপলি মেলিছো
বৰণীয়া পখিলা জনী
কাতৰৰ জীয়াটি হৈ
তোমাৰ সমীপলৈ...।
অজানিতে বোৱাব খোজে দেখো
বিষাদৰ ঢৌক
নিগৰি নিগৰি আহে কিয় বাৰু
তোমাৰ পলসুৱা দাঁতিলৈ...
মুৰ্ত হৈ ৰওঁ মাথো
অশ্ৰুসিক্ত দুই নয়ন লৈ...

সংস্কাৰধ্বনি ফাউণ্ডেচন
Sanskardhwani Foundation

**নৱম ভাগ**

**সম্পাদনা**

ব্ৰজেন কাকতি



# ভাৰ

ময়ূৰী মুকুল
টিহু মাখিবাহা

মুঠিৰ বালিৰ দৰে
সময়ৰ ভৰত লাহে লাহে খহি পৰে
সম্পৰ্কবোৰ,
স্মৃতিৰ পাপৰি হৈ পৰে একো খিলা
শুকান পাত।
সোঁৱৰণীয়ে ফাগুন হৈ কঢ়িয়াই
আবেগ বিহীন ধূসৰ বালি,
ছটিয়াই যায় চুব নোৱাৰা এটি পুৰণি গোন্ধ
মই বান্ধি ৰাখিব বিচাৰো
নিগাজিকৈ।
আঁচলত বন্ধাৰ আগতেই খহিপৰে
এটা এটা কৈ...
সময় ভাৰী হ'ল নে সম্পৰ্ক,
বুজিব পৰাৰ আগতেই লগন উকলি গ'ল...।

# স্বাধীন

কবিতা দেৱী
নুনমাটি নাৰেঙ্গী

স্বাধীন হয়নে আমিবোৰ?
হ'ব পাৰিম নে?
ভাবিবৰ হ'ল এতিয়া।
১৯৪৭ চনত স্বাধীন হোৱা দেশ,
মুক্ত হোৱা মানুহবোৰ
আজি সেই একে গতিতে,
নিষ্ঠুৰ সময়ে কঢ়িয়াই আনে
স্বাধীন দেশখনৰ বাবে অভাৱ-নাটনি।
উন্নতিৰ শিখৰলৈ বগাই যাবৰ সময়ত,
অভিশপ্ত সময় নে চলনা?
নে কোনো ষড়যন্ত্ৰৰ বলি
আমি স্বাধীন মানুহবোৰ।
নিৰীহ লোকৰ অহৰহ কান্দোন দেখি
সহ্য কৰিব পৰা নাই।
এই সময়তো মানুহে
নিজক হত্যা কৰিছে,
নিজকে শেষ কৰিছে খাবলৈ নেপায়।
পূৰ্ণতা আছে নে আমাৰ জীৱনৰ,
সফলতাৰ চিৰি বগাই
উজ্জ্বলাব পাৰিম নে দেশ মাতৃক?
স্বাধীন বুলি কৈ
দেশৰ গান গাই গাই
জীয়াই থাকিবলৈ??



# মৃগতৃষ্ণা

কনক শৰ্মা
দমদমা, হাজো।

জীৱন বাটৰ
অশীতিপৰ
হেঙুলীয়া অস্তাচলত
বিছনাখনেই মোৰ
বুকুৰ কুটুম।
কেৰ-মেৰ শব্দেৰে
বিছনাখনে
অহর্নিশে-
মোৰ সৈতে
কথা পাতে-
মৰুময় সংসাৰৰ
মৃগতৃষ্ণাৰ কথা,
নিৰস, নিস্তব্ধ
মহাশূন্য জীৱনৰ কথা।
দোলনৰ মৃদু জোকাৰণিৰে
বিছনাখনে মোক
ওমলাব বিচাৰে-
এটি শিশুক ওমলোৱাৰ দৰে।
মই বাৰু এটি শিশু নেকি?
যান্ত্রিক যুগৰ
মই এক
অথর্ব দেহী।
কঙ্কালসাৰ দেহৰ
কামি হাড়ৰ মাজত
কলিজাটিৰ ধপধপনি
বিছনাখনে
কাণপাতি শুনে
অবিৰল
অবিৰাম।
হৃদয়খন ওলোমাই থওঁ
মাৰলিৰ টঙালৰ গাঁঠিত।
সাক্ষী হৈ ৰয় -
ৰুৱা, কামি, বেৰৰ ইকৰা-খাগৰি।
সপোনৰ ঘৰখনৰ
ইহঁতবোৰে মাত্র
আপোন হৈ ৰয়
মানুহবোৰ একা
ঘৰৰ মানুহবোৰ,
চৌকাষৰ মানুহবোৰ?
সিহঁতো আপোন -
তেজ মঙহৰ আপোন,
জ্ঞাতি-কুটুম্বৰ
সম্পৰ্কৰে আপোন -
সপোনৰ দ্যুতি কণ্ঠাভৰণ
কিন্তু...!
অভিমানৰ জলঙাইদি
স্বাৰ্থৰ বাটত পিছলি
হৃদয়ৰ বান্ধোন
শিথিল হৈ যায়।
চিনাকি মানুহবোৰৰ
মন, মগজু, বুদ্ধি, চিন্তা
সময়ৰ চাকনৈয়াত
অচিনাকি অঘৈয়ালৈ
ৰূপান্তৰিত হয়।
কামিহাড়ৰ মাজত
ফুচফুচাই আছে
মোৰ কলিজাটি।
লৰক-ফৰক বিছনাখনৰ
আলিঙ্গনত বন্দী
মোৰ হৃদয়
সপোনবোৰ চোন আজি
সপোন হৈয়ে ৰয়
জীৱন...
কি যে প্রহেলিকাময়!!

# প্ৰিয়ে মোৰ

ড° ৰূপা ডেকা পাটৰ
গুৱাহাটী

শৰতৰ জোনাকত যমুনাৰ ঢৌ
তোমাৰ হৃদয়ত কৃষ্ণকায় মৌ...
দেহত মনত সুৰৰ লহৰ...
কিমান অপেক্ষা প্ৰিয়ে জীৱন মোহৰ ...
কিমান নিৰীক্ষিবা প্ৰিয়ে কিমান...
তোমাৰ চমক কৌটি কৌটি যোজনৰ
এবাৰ মাথো একান্ত হেপাহ আলিংগনৰ...
কোনে বুজিব প্ৰিয়ে
তোমাৰ স্পন্দন...
অমৰ প্ৰেমৰ প্ৰতীক তুমি
স্বৰ্গীয় অনুকম্পাৰ সাক্ষী তুমি
অনন্ত প্ৰেমৰ নদী তুমি
ভাল পাওঁ ...ভাল পাওঁ তোমাক..
তুমি যুগ যুগৰ আজন্ম প্ৰেমিক
সুনয়না
যৌৱনা
অনন্যা
যুগে যুগে চিৰ প্ৰবাহিতা...
তুমি প্ৰিয়ে ..তুমি...বিৰহিনী।

# ৰূপান্তৰ

নিতুমনি দাস
ঢকুৱাখনা

লাহে লাহে শিল হৈ পৰা বুকুত
দুখৰ বা সুখৰ ক্ৰিয়াৰ প্ৰতিক্ৰিয়া উপেক্ষিত হৈ ৰয়,
ৰূপান্তৰিত হয় হৃদয় অন্য এক শিল্পলৈ।
সময়ে বাগৰ সলায়,
কুঁৱলি আঁতৰি আত্মবিশ্লেষণৰ জীৱনবোধেৰে
সত্য অন্বেষণৰ নতুন অধ্যায় আৰম্ভ হয়।
কোমলতা জীৱনৰ প্ৰয়োজন হোৱাৰ দৰে
কঠিনতম বাস্তৱো কেৱল প্ৰাসংগিক নহয়,
ই এক চিৰন্তন সত্য।
যেনেদৰে নয়নৰ অশ্ৰুবিন্দুৰ সৌন্দৰ্য অতুলনীয়
তেনেদৰে বিষাদৰো সুকীয়া মাদকতা আছে...
সুখৰ সংজ্ঞা বিচাৰি বিচাৰি
অতিক্ৰম কৰিব লগা হয় দুখৰ হাজাৰ কেঁকুৰি!

# এইখিনিতেই...

অৰুণ কুমাৰ শৰ্মা
গুৱাহাটী

এইখিনিতেই মই তোমাক
ভাল পাবলৈ এৰি দিছিলোঁ ।
অথচ তোমাৰ সিয়ঁনিৰ চেঁপাত
পাপবিদ্ধ মই
তোমাৰ দ্যুতি এতিয়া
মোৰ কলিজাত
কামিহাড়ৰ ভিতৰৰ
আন্ধাৰ খোৰোঙত ;
কেনেকৈ পাহৰোঁ কোৱা ?
কাহিলী পুৱাতে
বেলি নুঠোঁতেই
লুকাইচুৰকৈ দিয়া
তোমাৰ চকুৰ চমক ।
ওলট পালট ধুমুহাই
ছিৰলা ছিৰিলি কৰা
কলপাতৰ মাজত
দুখবোৰ পমি পমি
মম,
সোণবোৰ গলি গলি
হয় সীহ,
ৰূপালী পোহৰত সেইবোৰে
চিকমিকায় ।
সিপাৰে থিয় পাহাৰৰ নামনিত
বৰ্তুল শিলৰ চেপাত
প্ৰখৰ ৰ'দত পিঠি পাতি
মই ৰোৱা
এজোপা ৰক্তজৰা
সোমাওঁ তাৰ বুকুত
(হাতো নেমেলিবি ফুলো নিছিঙিবি
ক'ৰে নাৰৰীয়া তই )
তেজীমলা,
মই পথৰুৱা
তোৰ পোহৰৰ তিৰবিৰণিত
মই হওঁ আয়ুষ্মান।

# শব্দ

বিকাশ বৰা
তেজপুৰ

শব্দ জীৱনৰ
আদি পাঠ
শব্দ জীৱনৰ
বুনিয়াদ
শব্দ বক্ষা
শব্দ অৰ্ঘ্য
শব্দৰ
মায়াৱী গতি
ব্যক্তি এজনৰ মনৰ
অভিব্যক্তি
শব্দ চালিকা শক্তি
জীৱন ৰথৰ ।
শব্দৰ অন্তহীন গতি
জীৱন জয়ৰ,
শব্দ মানৱ মনৰ
আত্ম অভিব্যক্তি
শব্দ বক্ষা
শব্দ অৰ্ঘ্য
শব্দ মানৱতা বোধৰ পৰিচায়ক
যি গঢ়ে নিতে
সপোনৰ পৰিধি
শব্দ জীৱনৰ
প্ৰগতি ।।

# বহাগৰ ঠিকনা বিচাৰি

বাবুল দাস
হাজো

জীৱনৰ কক্ষপথত
উপগ্ৰহৰ গ্ৰহণ লাগিলে
সমুদ্ৰৰ বক্ষত
আৰম্ভ হয়—
জোঁৱাৰৰ খলকনি।
সিদিনা
আপোন জনো
পৰ হয়
আৰু
পৰ বুলি ভবা জনো
আপোন হয়।
খাওঁ বুলিওতো
খাব নোৱাৰি
দিওঁ বুলিওতো
দিব নোৱাৰি,
সময়ৰ নাগ-পাশত
হাত-ভৰিবোৰ যে বন্ধা
এনেকৈয়ে
ভাটাৰ কুণ্ডলী পকাই
এদিন নিৰুদ্দেশ হয়—
দুৰ্ভগীয়া চ'ত।
স্বাধীনতাই
সকলো দিছে
আৰু সময়ত
সকলো কাঢ়িও নিছে।
অথচ
যাযাবৰী মেঘে
দি যায়
পিয়াহৰ এটুপি পানী
অচিন সাগৰৰ পৰা আনি
আৰু
বহাগ হয় তেতিয়া
মোৰ সবাতোকৈ আপোন।
আপোন জনে যেতিয়া
নিঠৰুৱা কৰি
ঠিকনা সলায়
সৰাপাত হৈ
আশাবোৰ
গঙা চিলনীৰ দৰে
উৰি থাকে অ'ত ত'ত...!

# বিদ্ৰূপ

দিপ্তী মনি গোস্বামী
লখিমপুৰ (লালুক)

দিনমণিৰ জিৰণিৰ বেলাত
জোনবাইজনীৰ পোহৰৰ তলত
বুটা বচা আকাশত
অলেখ তৰাই হাঁহে।
সিহঁতৰ চোতালৰ
একতা আৰু নিয়মানুৱৰ্তিতাই
পৃথিৱীক দেখুৱাই
ভ্ৰূকুটিৰ হাঁহি মাৰে।
মহাকাশৰ পৰাই ৰিঙিয়াই
তেওঁলোকে কয়,
আমাৰ কোনো আপোন পৰ নাই,
নাই কোনো দ্বন্দ্ব খৰিয়াল
নাই একো দম্ভ কিম্বা অহংকাৰ ।
পৃথিৱীৰ পৰা তহঁতি
আমাকেই অনুকৰণ কৰ,
আমাৰ আদৰ্শ আৰু আৰ্হিৰে
অগ্ৰসৰ হ ।।

# বলি

ৰাজ ৰাহুল
গুৱাহাটী

সৌন্দৰ্যৰে ভৰা আই অসমী
আইৰ চকুৰ পানীৰে প্ৰবহমান
নৈ খন!
প্ৰতিগৰাকী মাতৃৰ বুকু শূন্য কৰি
শত শত জন শ্বহীদ হোৱা
অসম মাতৃক
বধ্যভূমি নকৈ কেনেকৈ কওঁ
সোণৰ অসম বুলি?
তাৰ হিচাব তুমি জানো দিব পাৰিবা
সভ্য সমাজৰ মানুহ হিচাপে?
অধিকাৰ আছে জানো তোমাৰ!
চৌদিশে দেখিবলৈ পাইছো ৰক্তাক্ত
পৰিবেশ,
পাৰিবা নে ক'ব?
কেৱল মানুহেই নহয়
বন্য প্ৰাণীও যে বলি হৈছে ধ্বংসৰ
আজিৰ সভ্য, শিক্ষিত মানুহৰ বাবেই!

## সংস্কাৰধ্বনি ফাউণ্ডেচন কাৰ্যবাহী সমিতি

**প্ৰতিষ্ঠাপক/সভাপতি**
হিতেশ গোস্বামী

**সাধাৰণ সম্পাদক**
গুনীন ফুকন

**উপ-সভাপতি**
চুমি শৰ্মা গোস্বামী

**মুখ্য উপদেষ্টা**
ড° নগেন্দ্ৰনাথ শৰ্মা

**উপদেষ্টা মণ্ডলী**
সুকীৰ্ত্তি দাস
কিৰণ কুমাৰ গগৈ
ড° জগদীশ পাটগিৰি
ড° জয়ন্তীমালা চক্ৰৱৰ্তী

## কাৰ্যবাহী সদস্য

লিলি শৰ্মা
গায়ত্ৰী কৌশিক
ভনিতা গোস্বামী
জয়দেৱ মালাকাৰ
শ্যামন্ত দেৱ বৰুৱা

'সহস্ৰ কবিৰ সহস্ৰ কবিতা' এই গ্ৰন্থখনি আমাৰ এক বিনম্ৰ প্ৰয়াস।

অজানিতে আৰু অজ্ঞনতাৰ বাবে হ'ব পৰা ভুল-ভ্ৰান্তিৰ বাবে আমি সকলোৰে ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছোঁ।

আপোনালোকৰ দৃষ্টিত নিবদ্ধ হোৱা যিকোনো ভুল যেনে— কবিতাৰ মানদণ্ড, শব্দ, ব্যাকৰণ, ভাষা, বাক্যৰ গাঁথনি ইত্যাদি আমাক অৱগত কৰিলে আমি কৃতাৰ্থ হ'ম আৰু অসমীয়া ভাষা-সাহিত্যৰ পাঠকসকলো উপকৃত হ'ব।

আমাৰ বিনম্ৰ প্ৰয়াস অসমীয়া ভাষাক উপযুক্তভাৱে ব্যৱহাৰ কৰি নতুন প্ৰজন্মক মাতৃভাষাৰ সোৱাদ দিয়া।

বৰ্তমানৰ ডিজিটেল সংস্ক ৰণসমূহ একত্ৰিত কৰি এক হাজাৰ কবিৰ এক হাজাৰ কবিতা সন্নিৱিষ্ট কৰি এই গ্ৰন্থখনি ছপা আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা লৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচন আগবাঢ়িছোঁ। আপোলোকৰ সহযোগ আৰু পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব।

**—সংস্কাৰধ্বনি ফাউণ্ডেচন**

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com